১৮৬০ খ্রীষ্টাব্দৰ ২১ নম্বৰ আইন অনুসৰি ১৯২৪ খ্রীষ্টাব্দৰ ৫ মে' তাৰিখে পঞ্জীয়নভুক্ত
হোৱা আৰু ১৯৩৯ শকৰ ১২ পুহ, ১৯১৭ খ্রীষ্টাব্দৰ ২৭ ডিচেম্বৰত স্থাপিত

# অসম সাহিত্য সভা

অসম সাহিত্য সভাৰ উনসপ্ততিতম
(শৰৎ চন্দ্ৰ সিংহ ক্ষেত্ৰ) চাপৰ অধিৱেশনৰ
১৭ মাৰ্চ, ২০০৭ খ্ৰীঃৰ প্ৰতিনিধি সভাত
সংশোধিত আৰু গৃহীত

# নিয়মাৱলী

অসম সাহিত্য সভা
কেন্দ্ৰীয় কাৰ্যালয়
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট - ৭৮৫০০১ (অসম)

# বিষয়-সূচী


**প্ৰস্তাৱনা**

| | | |
|---|---|---|
| ১। | প্ৰথম ছেদ ঃ নাম | ৩ |
| ২। | দ্বিতীয় ছেদ ঃ উদ্দেশ্য | ৩ |
| ৩। | তৃতীয় ছেদ ঃ কাৰ্যক্ষেত্ৰ | ৪ |
| ৪। | চতুৰ্থ ছেদ ঃ গঠন | ৪ |
| ৫। | পঞ্চম ছেদ ঃ সভ্য | ৫ |
| ৬। | ষষ্ঠ ছেদ ঃ কাৰ্যনিৰ্বাহক সমিতি | ৬ |
| ৭। | সপ্তম ছেদ ঃ শাখা সাহিত্য সভা | ১০ |
| ৮। | অষ্টম ছেদ ঃ জিলা সাহিত্য সভা | ১২ |
| ৯। | নৱম ছেদ ঃ স্বীকৃত সাহিত্য সভা | ১৫ |
| ১০। | দশম ছেদ ঃ অধিৱেশন | ১৫ |
| ১১। | একাদশ ছেদ ঃ বিষয়ববীয়াসকল | ১৭ |
| | সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, ধনভঁৰালী, সহকাৰী সম্পাদক, পত্ৰিকা সম্পাদক আৰু ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব | |
| ১২। | দ্বাদশ ছেদ ঃ আদৰণী সমিতি | ২১ |
| ১৩। | ত্ৰয়োদশ ছেদ ঃ প্ৰতিনিধি সভা | ২২ |
| ১৪। | চতুৰ্দশ ছেদ ঃ বিত্তীয় বিধি | ২৪ |
| ১৫। | পঞ্চদশ ছেদ ঃ নিৰ্বাচন বিধি | ২৬ |
| | আইন অনুশাসন, | ২৭ |
| | **উপবিধি ঃ** | ২৮ |
| | (ক) প্ৰতিনিধি সভা পৰিচালনাৰ বিধি | ২৮ |
| | (খ) আদৰণী সমিতি | ২৯ |
| | (গ) গৱেষণা কেন্দ্ৰ | ৩২ |
| | (ঘ) সদস্য মহীয়ান | ৩২ |
| | (ঙ) সাহিত্যাচাৰ্য | ৩৩ |
| | (চ) প্ৰকাশন সমিতি | ৩৩ |
| | (ছ) সভাৰ বঁটা আদি | ৩৪ |
| | **ওপৰঞ্চি ঃ ক** | ৩৪ |
| | **সভাৰ প্ৰতীক ঃ** | ৩৪ |
| | (ক) পতাকা উত্তোলনৰ বিধি, | ৩৪ |
| | পতাকা উত্তোলনৰ গীত | ৩৬ |
| | (খ) সভাৰ অৱন্তণী গীত | ৩৮ |
| | (গ) স্মৃতি-তৰ্পণ | ৪০ |
| | (ঘ) সভা-সমিতি পৰিচালনাৰ নীতি-নিৰ্দেশনা | ৪১ |
| | (ঙ) প্ৰতিনিধি সভা | ৪৪ |
| | (চ) জিলা সভা/শাখা সভা/স্বীকৃত সভাৰ আবেদন-পত্ৰ | ৪৫ |
| | (ছ) সভাপতিৰ নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ | ৪৬ |
| | (জ) উপ-সভাপতিৰ নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ | ৪৭ |
| | (ঝ) প্ৰধান সম্পাদকৰ নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ | ৪৮ |
| | (চ) অতিৰিক্ত- অসম সাহিত্য সভাৰ সভ্য ভৰ্তিৰ প্ৰ-পত্ৰ | |

## প্ৰস্তাৱনা

অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ সৰ্বাংগীন উন্নতি বিধানৰ অৰ্থে সকলো প্ৰকাৰৰ দলগত ৰাজনৈতিক আৰু সাম্প্ৰদায়িক চিন্তা আৰু স্বাৰ্থৰ উৰ্ধত থাকি অসমত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ উমৈহতীয়া মঞ্চত কাম কৰিবলৈ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অনুৰাগী লোকক সভ্য স্বৰূপে লৈ অসমত এখন 'সাহিত্য সভা' গঠন কৰা হ'ল।

## প্ৰথম ছেদ ঃ নাম

১। এই সভাৰ নাম অসম সাহিত্য সভা (Asam Sahitya Sabha)। ইয়াৰ পিছত কেৱল 'সভা' বুলি উল্লিখিত হ'ব।

## দ্বিতীয় ছেদ ঃ উদ্দেশ্য

২। অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীণ উন্নতি কৰাই এই সভাৰ ঘাই উদ্দেশ্য, লগতে অসমৰ থলুৱা ভাষা-সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰাও সভাৰ অন্যতম উদ্দেশ্য হ'ব। সেই উদ্দেশ্যে তলত দিয়ামতে কাৰ্য কৰিবলৈ সভা যত্নপৰ হ'ব ঃ

(ক) অভিধান, ব্যাকৰণ আৰু অন্যান্য গ্ৰন্থৰ সংকলন আৰু প্ৰকাশ কৰা ;

(খ) প্ৰাচীন সাহিত্য আৰু লোক-সাহিত্যৰ অনুসন্ধান, সংগ্ৰহ, গৱেষণা আৰু প্ৰকাশ কৰা ;

(গ) অসমীয়া সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ, সেই অভাৱ দূৰ কৰা ;

(ঘ) প্ৰকাশিত গ্ৰন্থৰ ভিতৰত উপযুক্ত বিবেচিত গ্ৰন্থৰ গ্ৰন্থকাৰক বঁটা আৰু সামৰ্থ্যহীন সাহিত্যিকক সাহায্য দান কৰা ;

(ঙ) সংগীত, চিত্ৰবিদ্যা আৰু ভাস্কৰ্যবিদ্যাৰ উন্নতিসূচক কাৰ্য কৰা;

(চ) সভাৰ এখন মুখপত্ৰ আৰু প্ৰচাৰপত্ৰ প্ৰকাশ কৰা;

(ছ) ভাষা আৰু সাহিত্যৰ প্ৰচাৰ-পত্ৰাদি প্ৰকাশ কৰা;

(জ) ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰা;

(ঝ) সাহিত্য আৰু সংস্কৃতি সম্পৰ্কীয় বিনিময় আঁচনি কাৰ্যকৰী কৰা;

(ঞ) অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত থকা অন্তৰায় দূৰ কৰা;

(ট) অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে আন আন কাৰ্য কৰা;

## তৃতীয় ছেদ ঃ কাৰ্যক্ষেত্ৰ

৩। ঘাইকৈ অসম ৰাজ্যই সভাৰ কাৰ্যক্ষেত্ৰ হ'ব। লগতে সভাৰ কাৰ্য দেশৰ বিভিন্ন স্থানলৈ আৰু দেশৰ বাহিৰলৈও সম্প্ৰসাৰিত হ'ব পাৰিব।

৪। এই সভা কোনো দলগত, ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বিষয়ৰ লগত সংশ্লিষ্ট নাথাকিব।

## চতুৰ্থ ছেদ ঃ গঠন

৫। মূল সভাৰ কাৰ্য পৰিচালনাৰ অৰ্থে পাঁচটা কাৰ্যালয় থাকিব ঃ

(১) যোৰহাট ঃ কেন্দ্ৰীয় কাৰ্যালয়, চন্দ্ৰকান্ত সন্দিকৈ ভৱন

(২) গুৱাহাটী ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন

(৩) ডিফু ঃ ৰংছিনা ভৱন

(৪) ধুবুৰী ঃ ধুবুৰী আঞ্চলিক কাৰ্যালয় ভৱন

(৫) ডিব্ৰুগড় ঃ ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন

উল্লিখিত উদ্দেশ্য পূৰণৰ বাবে কাৰ্যক্ষেত্ৰৰ লগত সামঞ্জস্য ৰাখি এই সভাৰ গঠন এইদৰে হ'বঃ

(ক) মূল সভা (খ) জিলা সভা (গ) শাখা সভা আৰু (ঘ) স্বীকৃত সভা

৬। (ক) পঞ্চম ছেদৰ ৭-১২ সংখ্যক বিধিমতে হোৱা সভ্যৰে মূল সভা গঠিত হ'ব।

(খ) মূল সভাৰ অন্ততঃ ৫০ জন সভ্যৰে শাখা সভা গঠিত হ'ব। পাঁচ হেজাৰতকৈ অধিক জনসংখ্যা থকা অঞ্চলত এলেকা নিৰ্ধাৰণ সাপেক্ষে কাৰ্যনিৰ্বাহক সমিতিৰ আগতীয়া অনুমতিৰে 'শাখা সভা' গঠিত হ'ব পাৰিব। অৱস্থা বুজি কাৰ্যনিৰ্বাহক সমিতিয়ে অন্যূন ৩০ জন সভ্যৰেও অসমৰ ভিতৰত বা বাহিৰত 'শাখা সভা' গঠনৰ অনুমতি দিব পাৰিব। শাখাসমূহ অসম সাহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে সভাই গঠন কৰা প্ৰাথমিক স্তৰৰ সংগঠন আৰু এই সংগঠনসমূহৰ সকলো প্ৰকাৰে মূল সভাৰ কৰ্তৃত্বাধীন হৈ থাকিব।

(গ) অসমৰ প্ৰতি প্ৰশাসনীয় জিলাত গঠিত শাখা সভাসমূহক লৈ একোখন 'জিলা সাহিত্য সভা' গঠন কৰা হ'ব। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহত কমেও ১৫ (পোন্ধৰ) খন সক্ৰিয় শাখা থাকিব লাগিব আৰু বৰাক উপত্যকাত ১০ (দহ) খন সক্ৰিয় শাখা থাকিব লাগিব।

(ঘ) 'শাখা সাহিত্য সভা' আৰু 'জিলা সাহিত্য সভা' অসম সাহিত্য সভাৰ (১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নম্বৰ আইন অনুসৰি ১৯২৪ চনৰ ৫ মে' তাৰিখে পঞ্জীভুক্ত হোৱা) পঞ্জীয়ন নম্বৰৰ অন্তৰ্গত হ'ব।

## পঞ্চম ছেদ ঃ সভ্য

৭। সভাৰ পাঁচ শ্ৰেণীৰ সভ্য থাকিব ঃ
(ক) সাধাৰণ সভ্য (খ) আজীৱন সভ্য (গ) সন্মানিত সভ্য (প্ৰাক্তন সভাপতিসকল) (ঘ) বিশেষ সভ্য (প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল) আৰু (ঙ) সন্মানীয় হিতৈষী সভ্য আৰু হিতৈষী সভ্য
অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ অনুৰাগী অন্যূন ১৮ বছৰৰ লোক ইয়াৰ 'সাধাৰণ সভ্য' হ'ব পাৰিব।

৮। ওপৰৰ নিয়ম-সাপেক্ষে যিকোনো লোকে ভৰ্তি মাচুল ২.০০ টকা, বছৰেকীয়া বৰঙণি ৮.০০ টকা, জাতীয় ন্যাস পুঁজিৰ বৰঙণি ৩.০০ টকা আৰু কৰ্মচাৰী সাহায্য পুঁজিৰ বৰঙণি ২.০০ টকা দি নিৰ্দিষ্ট প্ৰ-পত্ৰত (ওপৰঞ্চি 'এঃ') শাখা সভাৰ যোগেদি আবেদন কৰিলে কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদনক্ৰমে মূল সভাৰ 'সাধাৰণ সভ্য' হ'ব পাৰিব। কিন্তু যি ঠাইত কোনো শাখা সভা নাই তেনে ঠাইৰ লোকে পোনপটীয়াকৈ মূল সভালৈ নিৰ্দিষ্ট প্ৰ-পত্ৰত আবেদন কৰি 'সাধাৰণ সভ্য' ভুক্ত হ'ব পাৰিব। কোনো সাধাৰণ সভ্যই একে বছৰতে একাধিক শাখা সভাৰ জৰিয়তে সভ্য হিচাপে নাম ভুক্ত কৰিব নোৱাৰিব।

৯। একেৰাহে দুবছৰ বৰঙণি নিদিয়া সভ্যৰ নাম দ্বিতীয় বছৰৰ শেষত সাধাৰণ সভ্য তালিকাৰ পৰা বাদ পৰিব। তেনে লোকে পুনৰ সভ্য হ'ব খুজিলে ৮ সংখ্যক বিধি অনুসাৰে আবেদন কৰিব লাগিব। (ইয়াৰ 'বছৰ' শব্দৰে 'বিত্তীয় বছৰ' বুজোৱা হৈছে)

১০। (ক) ভৰ্তি মাচুল ১০০.০০ (এশ) টকা আৰু অন্যূন ১,০০০.০০ (এহাজাৰ) টকা দিলে 'আজীৱন সভ্য' হ'ব পাৰিব। ভৰ্তি মাচুল সংশ্লিষ্ট শাখা বা জিলা সভাই পাব। মূল সভাৰ যোগে পোনপটীয়াকৈ আজীৱন সভ্য হ'লে মাচুল মূল সভাই পাব।
(খ) আজীৱন সভ্যসকল নিজৰ স্থানৰ শাখা সাহিত্য সভা আৰু জিলা সাহিত্য সভাৰো সভ্য হিচাপে গণ্য হ'ব।
(গ)তেওঁলোকে নিজৰ স্থানৰ বাহিৰে আন শাখা সভাৰ লগত জড়িত হ'ব নোৱাৰিব। অৱশ্যে কৰ্মস্থান/বাসস্থান সলনি হ'লে সংশ্লিষ্ট কৰ্মস্থান/বাসস্থানৰ অন্তৰ্গত শাখা সভা, জিলা সভা আৰু মূল সভাক জাননী দি সংশ্লিষ্ট জিলা বা শাখা সভাৰ সভ্য হিচাপে গণ্য হ'ব পাৰিব।
(ঘ) শাখা সভা থকা ঠাইত 'আজীৱন সভ্য' শাখা সভাৰ যোগেদি হ'ব, শাখা সভা নথকা ঠাইত হ'লে পোনপটীয়াকৈ হ'ব পাৰিব। মূল সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ মাধ্যমেৰে আজীৱন সভ্য হলে জিলা বা শাখা সভাৰ অনুমোদনৰ প্ৰয়োজন নহ'ব। তেনে ক্ষেত্ৰত ভৰ্তি মাচুল মূল সভাৰ সাধাৰণ পুঁজিত জমা হ'ব।

১১। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকল সন্মানিত সদস্যৰূপে আৰু প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল বিশেষ সভ্যৰূপে পৰিগণিত হ'ব।

১২। ভৰ্তি মাচুল ১০০.০০ টকা আৰু অন্যূন ৫০০০.০০ টকা বৰঙণি দিলে 'হিতৈষী সভ্য' হ'ব পাৰিব। ভৰ্তি মাচুল সংশ্লিষ্ট শাখা বা জিলা সভাই পাব। এনে সভ্যই প্ৰতিনিধি সভাত প্ৰতিনিধিত্ব কৰিব পাৰিব। ভৰ্তি মাচুল ৫০০.০০ (পাঁচশ) টকা আৰু অন্যূন ১,০০,০০০.০০ (একলাখ) বা ততোধিক টকা দিয়া সকল 'সন্মানীয় হিতৈষী সভ্য' হ'ব আ ৰু এনে সভ্যই প্ৰতিনিধি সভাত প্ৰতিনিধিত্ব কৰিব পাৰিব। মূল সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ মাধ্যমেৰে হিতৈষী সভ্য/সন্মানীয় হিতৈষী সভ্য হলে ভৰ্তি মাচুল মূল সভাৰ সাধাৰণ পুঁজিত জমা হ'ব।

১৩। সভাৰ যিকোনো প্ৰকাৰৰ সভ্যই মূল সভা, মূল সভাৰ বিষয়ববীয়া আৰু সদস্যৰ বিৰুদ্ধে কোনো প্ৰচাৰ কাৰ্য বা প্ৰচাৰ মাধ্যমযোগে বিবৃতি, বাতৰি, সমালোচনা আদি প্ৰকাশ কৰিব নোৱাৰিব। তদুপৰি, মূল সভাৰ বিবেচ্য বিষয়ত কোনো বিবৃতি দিব নোৱাৰিব। এনে কৰিলে অনুশাসন ভংগ কৰা বুলি গণ্য কৰা হ'ব আৰু মূল সভাই তেওঁলোকৰ বিৰুদ্ধে যিকোনো অনুশাসনমূলক ব্যৱস্থা ল'ব পাৰিব। সভাৰ আভ্যন্তৰীণ বিষয়ত মতানৈক্য থাকিলে কাৰ্যনিৰ্বাহক সমিতিক জনাব পাৰিব বা অনুমতি সাপেক্ষে প্ৰতিনিধি সভাত উত্থাপন কৰিব পাৰিব। কিন্তু কাৰ্যনিৰ্বাহক সমিতি বা প্ৰতিনিধি সভাৰ বিচাৰৰ বাবে আবেদন নকৰাকৈ কোনো বিষয়ৰ বিচাৰৰ বাবে পোনপটীয়াকৈ ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰিব। তেনে কৰিলে মূল সভাই যিকোনো প্ৰকাৰৰ শাস্তিমূলক ব্যৱস্থা ল'ব পাৰিব। (শাখা আৰু জিলা সভাৰ ক্ষেত্ৰতো এই বিধি প্ৰযোজ্য হ'ব)

১৪। সকলো শ্ৰেণীৰ সভ্যই সভাৰ 'মুখপত্ৰ'- 'অসম সাহিত্য সভা পত্ৰিকা' আৰু আন প্ৰকাশন কাৰ্যনিৰ্বাহক সমিতিয়ে বান্ধি দিয়া ৰেহাই মূল্যত পাব।

## ষষ্ঠ ছেদ ঃ কাৰ্যনিৰ্বাহক সমিতি

১৫। সভাৰ যাৱতীয় কাৰ্য সম্পাদন কৰিবৰ বাবে অসম ৰাজ্য ক্ষেত্ৰৰ সদস্যৰে এখন 'কাৰ্যনিৰ্বাহক সমিতি' থাকিব।

১৬। (ক) সভাৰ পঞ্জীয়ন হোৱা সংগঠনী দলিলৰ (Memorandum of Association) চতুৰ্থ ধাৰা অনুসৰি এই সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত থাকিব।
(খ) কেন্দ্ৰীয় কাৰ্যালয়ত সভাৰ সংগঠনী দলিলকে ধৰি সকলো প্ৰকাৰৰ দলিল, কাৰ্যবিৱৰণী বহী, কেছ বুক, অস্থাৱৰ সম্পত্তি আদি সংৰক্ষিত হ'ব আৰু কোনো কাৰণতে স্থানান্তৰিত হ'ব নোৱাৰিব। প্ৰয়োজন হ'লে মূল নথিৰ প্ৰতিলিপিহে কেৱল স্থানান্তৰিত হ'ব।

১৭। তলত দিয়া সদস্যৰে কাৰ্যনিৰ্বাহক সমিতি গঠিত হ'ব।

(ক)

১। সভাপতি

২। উপ-সভাপতি

৩। প্ৰধান সম্পাদক

৪। সহকাৰী সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়

৫। সহকাৰী সম্পাদক, গুৱাহাটী কাৰ্যালয়

৬। সহকাৰী সম্পাদক, ডিফু আঞ্চলিক কাৰ্যালয়

৭। সহকাৰী সম্পাদক, ধুবুৰী আঞ্চলিক কাৰ্যালয়

৮। সহকাৰী সম্পাদক, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়

(সহকাৰী সম্পাদকসকল সভাৰ কাৰ্যালয়স্থ স্থানৰ পৰাহে হ'ব।)

৯। ধনভঁৰালী, যোৰহাট / গুৱাহাটী

১০। ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব, যোৰহাট

১১। পত্ৰিকা সম্পাদক

১২। জাতীয় ন্যাস পুঁজিৰ আহ্বায়ক

১৩। চাহ বাগিছা উপ-সমিতিৰ আহ্বায়ক

১৪। চৰ-চাপৰি উপ-সমিতিৰ আহ্বায়ক

১৫। আহ্বায়ক, অসম সাহিত্য সভা প্ৰকল্প

(অসম সাহিত্য সভা প্ৰকল্প নিৰ্মাণৰ বাবে এখন নিৰ্মাণ সমিতি থাকিব। সভাৰ সভাপতি এই সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদক সমিতিৰ পদেন সদস্য হ'ব)।

১৬। প্ৰাৰম্ভকি বৈঠকে মনোনয়ন দিয়া ১০ (দহ) গৰাকী সদস্য— (ক) হিতৈষী সভ্যৰ এগৰাকী, (খ) আজীৱন সভ্যৰ দুগৰাকী, (গ) বিশিষ্ট লেখক-লেখিকা দুগৰাকী, (ঘ) জনগোষ্ঠীয় লেখক বা লেখিকা এগৰাকী, (ঙ) অধিবক্তা দুগৰাকী (তেওঁলোক সভাৰ আইন উপদেষ্টা হ'ব), (চ) ৩৫ বছৰৰ তলৰ লেখক-লেখিকা এগৰাকী, (ছ) প্ৰকাশন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা এগৰাকী। (গ) আৰু (ছ) ৰ ব্যক্তিসকল অসম সাহিত্য সভাৰ যিকোনো প্ৰকাৰৰ সভ্য বা সদস্য হ'ব লাগিব। প্ৰয়োজন সাপেক্ষে বিশেষভাৱে আমন্ত্ৰিত সদস্য ১০ (দহ) গৰাকী ; কিন্তু তেওঁলোকৰ ভোটাধিকাৰ নাথাকিব। তেওঁলোক সভাৰ যিকোনো প্ৰকাৰৰ সভ্য বা সদস্য হ'ব লাগিব। (জ) প্ৰত্যেক জিলা সভাৰ সভাপতি অথবা জিলা সভাৰ প্ৰতিনিধি সভাই নিৰ্বাচন কৰি দিয়া এগৰাকীকৈ প্ৰতিনিধি, (ঝ) বিদায়ী প্ৰধান সম্পাদক পদেন সদস্য হ'ব ; কিন্তু তেওঁৰ ভোটাধিকাৰ নাথাকিব।

১৭। (খ)

সভাপতি ৩৯ বিধি অনুসৰি নিৰ্বাচিত হ'ব।

(গ)

উপ-সভাপতি ৪২ (২) আৰু প্ৰধান সম্পাদক ৪২ (৩) বিধিমতে নিৰ্বাচিত হ'ব।

(ঘ)

বিদায়ী প্ৰধান সম্পাদকক্কে উল্লিখিত বিষয়ববীয়া, সদস্যসকল আৰু বিদায়ী সভাপতিক আমন্ত্ৰণ কৰি কাৰ্যনিৰ্বাহকৰ 'প্ৰাৰম্ভিক বৈঠক' অধিৱেশনথলীতে আহ্বান কৰিব আৰু এই বৈঠকতে ১৭(ক) (৪)ৰ পৰা (১৬) লৈকে বিষয়ববীয়া আৰু সদস্যসকল মনোনীত হ'ব।

(ঙ)

সভাৰ বেতনভোগী কোনো কৰ্মচাৰী কাৰ্যানিৰ্বাহক সমিতিৰ সদস্য বা বিষয়ববীয়া হ'ব নোৱাৰিব।

(চ)

সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ দ্বাৰা দোষী সাব্যস্ত হোৱা বা কাৰ্যনিৰ্বাহকে ব্যৱস্থা লোৱা লোক কাৰ্যানিৰ্বাহকৰ দ্বাৰা দোষমুক্ত বুলি স্বীকৃত নোহোৱালৈকে কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য বা বিষয়ববীয়া হ'ব নোৱাৰিব।

১৮। ধনভঁৰালী ৪২ (৪) (ক) বিধি অনুসৰি যোৰহাট / গুৱাহাটীৰ পৰা মনোনীত হ'ব।

১৯। অন্যূন এক তৃতীয়াংশ সভ্যৰে এই সমিতিৰ থূল (quorum) হ'ব।

২০। কাৰ্যনিৰ্বাহক সমিতিয়ে আৱশ্যকমতে সচিব, প্ৰকাশন সচিব, ন্যাস পৰিচালনাৰ বাবে সচিব নিযুক্ত কৰিব পাৰিব। কিন্তু কাৰ্যনিৰ্বাহকে দায়িত্ব আদি নিৰ্ধাৰণ কৰি দিব লাগিব। গ্ৰন্থাগাৰিক আৰু সভাৰ কাৰ্য পৰিচালনাৰ বাবে অন্যান্য কৰ্মচাৰী বা বিষয়ববীয়া নিযুক্ত কৰিব পাৰিব। কাৰ্যনিৰ্বাহক সমিতিয়ে বিধি অনুযায়ী কৰ্মচাৰীসকলৰ বাবে উপ-বিধি ৰচনা কৰিব পাৰিব আৰু কৰ্মচাৰীৰ ক্ষেত্ৰত কাৰ্যনিৰ্বাহক সমিতি, কৰ্ণধাৰ সমিতিৰ সিদ্ধান্তই চূড়ান্ত বিবেচিত হ'ব। কৰ্মচাৰীসকলৰ ভিতৰত সাধাৰণ প্ৰশাসন, যোগাযোগ, তথ্যপাতি সংৰক্ষণ আৰু যোগান, দলিল আদিৰ সংৰক্ষণ আৰু দৈনন্দিন কামৰ বাবে সচিব আৰু হিচাপৰ মুখ্য গাণনিকে প্ৰধান সম্পাদকৰ হৈ দায়িত্ব পালন কৰিব আৰু তেওঁলোক বিধিগতভাৱে দায়বদ্ধ থাকিব।

২১। লিখিতভাৱে গ্ৰহণযোগ্য কাৰণ নেদেখুৱাকৈ একেলেথাৰিয়ে তিনিখন কাৰ্যনিৰ্বাহকৰ সভাত অনুপস্থিত থকা বিষয়ববীয়া তথা সদস্যৰ নাম কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ পৰা বাদ দিব পাৰিব।

২২। কোনো বিষয়ববীয়াৰ বা সদস্য পদ খালী হ'লে এই সমিতিয়ে আন কোনো বিষয়ববীয়াক বা সদস্য মনোনয়ন দি সেই ঠাই পূৰাই ল'ব পাৰিব। জিলাৰ সদস্যৰ ক্ষেত্ৰত সেই জিলাই মনোনয়ন দি পঠাব।

২৩। এই সমিতিয়ে শাখা সাহিত্য সভা, জিলা সাহিত্য সভা আৰু স্বীকৃত সাহিত্য সভাক অসম সাহিত্য সভাৰ আৱশ্যকীয় স্বীকৃতি প্ৰদান কৰিব।

২৪। সভাৰ বিৰুদ্ধে অপপ্ৰচাৰ, সভাৰ নীতি আৰু উদ্দেশ্য বিৰোধী বা মৰ্যাদা হানিকৰ কাৰ্যত সভাৰ যিকোনো সভ্য/সদস্য, শাখা সভা, জিলা সভা, স্বীকৃত সভা লিপ্ত থকা বুলি প্ৰাথমিকভাৱে প্ৰমাণিত হ'লে বা সভাৰ নিয়মাৱলী ভংগ কৰিলে কাৰ্যনিৰ্বাহক সমিতিয়ে অনুশাসনমূলক

ব্যৱস্থা লোৱালৈকে সভাপতিয়ে তেনে সদস্যৰ সদস্য পদ নিষ্ক্ৰিয় কৰি ৰাখিব পাৰিব আৰু জিলা কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন সাপেক্ষে সভাপতিয়ে অনুশাসন ভংগ কৰা শাখা বা জিলা সভাৰ কাৰ্যনিৰ্বাহক সমিতি ভংগ কৰি 'তদৰ্থ সমিতি' গঠন কৰি দিব পাৰিব। উল্লেখ থাকে যে অসম সাহিত্য সভাৰ কোনো সদস্য, শাখা বা জিলা সভাৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱাৰ অধিকাৰ মূল সভাৰ তথা সভাৰ সভাপতিৰহে থাকিব, কোনো শাখা বা জিলা সভাৰ সভাপতিৰ নাথাকিব।

২৫। কাৰ্যনিৰ্বাহক সমিতিৰ জাননী অন্ততঃ ১৫ দিনৰ আগতে প্ৰধান সম্পাদকে দিব লাগিব। কাৰ্যনিৰ্বাহক সমিতিৰ অধিৱেশন বছৰত কমেও ৪ বাৰ বহুৱাব লাগিব।

২৬। বিশেষ অৱস্থাৰ উদ্ভৱ হ'লে কম সময়ৰ ভিতৰতো সভাপতিয়ে প্ৰধান সম্পাদকক সভা আহ্বান কৰিবলৈ অনুমতি দিব পাৰিব। কিন্তু প্ৰধান সম্পাদকে সভা আহ্বান নকৰিলে সভাপতিয়ে নিজে সভা আহ্বান কৰিব পাৰিব। এই সভা বিশেষ জৰুৰী সভা হিচাপে পৰিগণিত হ'ব।

২৭। কাৰ্যনিৰ্বাহক সমিতিৰ সভ্যৰ দুই তৃতীয়াংশই ১৫ দিনৰ সময় দি নিৰ্দিষ্ট কাৰ্য তালিকাৰে সৈতে সমিতিৰ বৈঠকৰ বাবে প্ৰয়োজন-পত্ৰ দিলে প্ৰধান সম্পাদকে সেই মতে কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক বহুৱাব লাগিব। নবহুৱালে প্ৰয়োজনপত্ৰ দিয়াসকলে অন্ততঃ ১০ দিনৰ আগতে সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক আৰু সদস্যসকললৈ লিখিত জাননী দি সভা বহুৱাব পাৰিব।

২৮। বিভিন্ন কাম কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিয়ে উপ-সমিতি গঠন কৰি দিব আৰু তাৰ বাবে আৱশ্যকীয় 'উপবিধি' ৰচনা কৰি দিব। এনে উপ-সমিতিৰ কাৰ্যকাল কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকালৰ লগে লগে অন্ত পৰিব। কিন্তু কাম চলি থকা উপ-সমিতিসমূহৰ কামলৈ লক্ষ্য ৰাখি কাৰ্যনিৰ্বাহকে তেনে উপ-সমিতিৰ কাৰ্যকাল নবীকৰণ কৰিব পাৰিব। তেনে উপ-সমিতিয়ে বছৰত অন্ততঃ ৩ খন বৈঠক বহুৱাব লাগিব আৰু কাৰ্যনিৰ্বাহকলৈ নিয়মিত প্ৰতিবেদন পঠাব লাগিব। কাৰ্যনিৰ্বাহক সমিতি সন্তুষ্ট নহ'লে বছৰৰ যিকোনো সময়তে তেনে উপ-সমিতি ভংগ কৰি দি নতুনকৈ উপ-সমিতি গঠন কৰি ল'ব পাৰিব। এই নিয়ম জিলা আৰু শাখা সভাৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। কাৰ্যনিৰ্বাহক সমিতিয়ে সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয় আৰু গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী সম্পাদক, ধনভঁৰালী আৰু কাৰ্যানিৰ্বাহকৰ তিনিজন সদস্যৰে কৰ্ণধাৰ সমিতি গঠন কৰিব। প্ৰয়োজন সাপেক্ষে কাৰ্যনিৰ্বাহকৰ আন সদস্যকো কৰ্ণধাৰ সমিতিৰ বৈঠকলৈ বিশেষভাৱে আমন্ত্ৰণ জনাব পাৰিব। সভাৰ সকলোবোৰ উপ-সমিতিৰ বৈঠকত সভাৰ সভাপতিয়ে সভাপতিত্ব কৰিব, তেওঁৰ অনুপস্থিতিত উপ-সভাপতিয়ে বৈঠকত সভাপতিত্ব কৰিব। (পঞ্জীকৃত ন্যাস দলিল অনুসৰি ন্যাস সমিতিসমূহৰ বাহিৰে)

২৯। কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল দুবছৰীয়া হ'ব। কোনো সভ্যই মূল সভা, জিলা সভা, শাখা সভাৰ বিষয়ববীয়া বা কাৰ্যনিৰ্বাহক সদস্যস্বৰূপে সাধাৰণতে একেৰাহে দুবাৰৰ অধিক কাল একেটা পদতে কাৰ্যনিৰ্বাহ কৰিব নোৱাৰিব। সভাৰ বৰ্ষ(কাৰ্যকাল) ১ জানুৱাৰীত আৰম্ভ হ'ব

আৰু ৩১ ডিচেম্বৰত শেষ হ'ব। কিন্তু অধিৱেশন পিছুৱালে কাৰ্যনিৰ্বাহক সমিতিয়ে কাৰ্যকাল বৃদ্ধি কৰিব পাৰিব।

## সপ্তম ছেদ ঃ শাখা সাহিত্য সভা

৩০। (ক) চতুৰ্থ ছেদৰ ষষ্ঠ (ক, খ, আৰু গ) নিয়ম অনুসৰি 'শাখা সভা' গঠিত হ'ব। এই শাখা সভা নিয়মাৱলীৰ ৬ (ঘ) মতে ১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নম্বৰ আইন অনুসৰি ১৯৪২ খ্ৰীষ্টাব্দৰ ৫ মে' তাৰিখে পঞ্জীভুক্ত হোৱা অসম সাহিত্য সভাৰ পঞ্জীয়নৰ অন্তৰ্ভুক্ত হ'ব। কোনো শাখা বা জিলা সভাই সুকীয়াকৈ পঞ্জীয়ন কৰিব নোৱাৰিব।

(খ) শাখা সভা ভুক্ত হ'বলৈ দুখনকৈ নিৰ্দিষ্ট প্ৰ-পত্ৰত (ওপৰঞ্চি 'চ' চাওঁক) আবেদন কৰিব লাগিব আৰু মূল সভালৈ দেয় ধনসহ পঠাব লাগিব। প্ৰত্যেক শাখা সভাই মূল সভালৈ আৰু জিলা সাহিত্য সভালৈ প্ৰতিটো ইংৰাজী বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত তেওঁলোকৰ কাৰ্যবিৱৰণী তথা পৰীক্ষিত আৰু সাধাৰণ সভাত গৃহীত আয়-ব্যয়ৰ বছৰেকীয় প্ৰতিবেদন পঠিয়াব লাগিব।

(গ) প্ৰতি শাখাই সভাৰ দ্বাৰা প্ৰকাশিত পত্ৰিকাৰ প্ৰতি সংখ্যাৰ কমেও ৫ খনকৈ পত্ৰিকা লব লাগিব। তাৰে এখন পত্ৰিকা আধা মূল্যত আৰু বাকী ৪ খন পত্ৰিকা তিনি চতুৰ্থাংশ মূল্যত দিয়া হ'ব। শাখা সভাই পাঁচখনতকৈ অধিক সংখ্যক পত্ৰিকা আৰু সভাৰ অন্যান্য প্ৰকাশন কাৰ্যনিৰ্বাহক সমিতিয়ে বান্ধি দিয়া ৰেহাই মূল্যত পাব।

(ঘ) বছৰেকীয় বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু অন্যান্য দেয় ধন আদায় নিদিয়া আৰু সভ্যভৰ্তিৰ ৰচিদ বহীসহ সভ্য তালিকা দাখিল নকৰা শাখা সভাই বিশেষ সভা বা প্ৰতিনিধি সভা আৰু কোনো প্ৰতিনিধিত্বমূলক সভাত প্ৰতিনিধিত্ব কৰিব নোৱাৰিব। বছৰেকীয় বৰঙণি আৰু অন্যান্য দেয় ধন আদায়ৰ লগতে আবেদন পত্ৰৰ বহীসহ (ব্যৱহৃত আৰু অব্যৱহৃত) সভ্য তালিকা অনিবাৰ্যভাৱে প্ৰতিটো খ্ৰীষ্টীয়বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। সকলো শাখা সভাই ১৩ সংখ্যক বিধি মানি চলিব লাগিব। একেৰাহে দুবছৰ বৰঙণি আদায় নিদিয়া আৰু হিচাপ দাখিল নকৰা শাখা সভাসমূহক নিষ্ক্ৰিয় বুলি গণ্য কৰা হ'ব। কাৰ্যনিৰ্বাহকে সক্ৰিয় বুলি ঘোষণা নকৰা পৰ্যন্ত তেনে শাখা সভা মূল সভাৰ সকলো ধৰণৰ যোগাযোগৰ পৰা বঞ্চিত হ'ব। নিষ্ক্ৰিয় শাখা সভা সক্ৰিয় কৰাৰ বাবে মূল সভাই সংশ্লিষ্ট জিলা সভাৰ সহযোগত ব্যৱস্থা ল'ব।

(ঙ) প্ৰত্যেক শাখা সভাৰ কমেও ১৫ জন সভ্যৰে গঠিত এখন কাৰ্যকৰী সমিতি থাকিব আৰু তাত নিৰ্বাচিত একোজন সভাপতি, উপ-সভাপতি, সম্পাদক, সহকাৰী সম্পাদক আৰু ধনভঁৰালী থাকিব। লগতে এজন পত্ৰিকা সম্পাদক বা প্ৰকাশন সচিব থাকিব।

(চ) শাখা সভাৰ ক্ষেত্ৰত সভাৰ নিয়মাৱলীৰ ৬ (ক,খ,গ), ১৩, ১৪, ২১, ২২, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩৩ (ঘ), ৪৯, ৫০, ৭০, ৭১, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০ (ক, খ) বিধি প্ৰযোজ্য হ'ব। উল্লেখ থাকে মূল সভাৰ সম্পাদকহে 'প্ৰধান সম্পাদক' স্বৰূপে চিহ্নিত হ'ব। শাখা বা জিলাৰ সম্পাদক কেৱল 'সম্পাদক' হিচাপে চিহ্নিত হ'ব।

(ছ) শাখা সভাৰ কাৰ্যকাল দুবছৰীয়া হ'ব। শাখা সভাভুক্ত হোৱাৰ পিছত সময়ে সময়ে নকৈ ভৰ্তি হোৱা সভ্যৰ ভৰ্তিমাচুল, বছৰেকীয় বৰঙণি, জাতীয় ন্যাস পুঁজি বৰঙণি, কৰ্মচাৰীৰ সাহায্য বৰঙণি মূল সভালৈ হিচাপৰ সৈতে প্ৰতিটো খ্ৰীষ্টীয় বৰ্ষৰ ৩১ ডিচেম্বৰৰ আগত পঠিয়াব লাগিব।

(জ) প্ৰতি গৰাকী সভ্যৰ বছৰেকীয়া বৰঙণিৰ ৩.০০ (তিনিটকা) শাখা সভাই পাব। অসমৰ বাহিৰৰ শাখা সাহিত্য সভাসমূহ যিহেতু কোনো জিলাৰ অন্তৰ্ভুক্ত নহয় সেয়েহে জিলাৰ বৰঙণি ২.০০ (দুটকা) উক্ত শাখাসমূহে পাব।

(ঝ) শাখা সভাই নিজৰ কাম-কাজ ৰূপায়ণৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰিব পাৰিব আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তি অৰ্জন কৰিব পাৰিব। কিন্তু শাখাৰ নামত কোনো হিতৈষী সভ্য বা আজীৱন সভ্য ভৰ্তি কৰিব নোৱাৰিব। শাখা সভাই দান-বৰঙণিৰ বাবে নিজাববীয়াকৈ ৰছিদ বহী ছপা কৰি ল'ব পাৰিব।

(ঞ) 'শাখা সভা' গঠন কৰিবলৈ ভৰ্তি মাচুল আৰু বৰঙণি তোলোতে সম্পাদকে সভ্যৰ তালিকা পঞ্জীয়ন বহীত নাম লিখি (ওপৰঞ্চি 'খ') বৰঙণি আদায় কৰিব। মূল সভালৈ টকা পঠোৱাৰ পিছত মূল সভাই জিলা সভাৰ যোগে শাখালৈ সেই সভ্যসকলৰ বৰঙণি আদিৰ সুকীয়া ৰছিদ পঠিয়াব। দেয় ধন সভাৰ কেন্দ্ৰীয়, গুৱাহাটী অথবা আঞ্চলিক কাৰ্যালয়ত জমা দিব পাৰিব।

(ট) প্ৰতি শাখা সভাই একোখন আয়-ব্যয়ৰ বহী, ৰছিদ আৰু দেয়কৰ নথি, এখন হিচাপ পৰীক্ষাৰ বহী আৰু এখন সভ্যৰ তালিকা পঞ্জীয়ন বহীৰ নিয়মমতে ৰাখিব লাগিব।

(ঠ) সকলো শাখা সভাই জিলা সাহিত্য সভাৰ যোগে সভ্য ভৰ্তিৰ বহী সংগ্ৰহ কৰিব পাৰিব আৰু দেয় ধন জিলা সভা অথবা সভাৰ যিকোনো কাৰ্যালয়ত জমা দিব লাগিব।

(ড) শাখা সভাই অৰ্জন কৰা সকলো সম্পত্তিৰ অৰক্ষণ মূল সভাৰ নিৰ্দেশ অনুসৰি হ'ব আৰু শাখা সভা নিষ্ক্ৰিয় হ'লে বা অবলুপ্তি ঘটিলে সেই শাখাৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি মূল সভাৰ পোনপটীয়া অধিকাৰলৈ আহিব।

(ঢ) এপ্ৰিল মাহৰ ভিতৰতে প্ৰতি শাখা সভাই আয়-ব্যয়ৰ আনুমানিক বিৰৰণ (বাজেট) প্ৰস্তুত কৰি নিজ কাৰ্যনিৰ্বাহক সমিতিত গৃহীত কৰাই মূল সভালৈ পঠিয়াব আৰু মূল সভাৰ অনুমোদন অনুসাৰে খৰচ কৰিব।

(ণ) শাখা সভাৰ সকলো টকা-কড়ি ওচৰৰ কোনো ডাকঘৰ বা বেংকত শাখা সভাৰ নামত সভাৰ সম্পাদক আৰু ধনভঁৰালীৰ যুটীয়া স্বাক্ষৰত লেন-দেন কৰিবপৰাকৈ ৰাখিব লাগিব। শাখাৰ সম্পাদকৰ হাতত ২০০.০০ (দুশ) টকাতকৈ সৰহ ধন ৰাখিব নোৱাৰিব।

(ত) শাখা সভাৰ বিষয়ববীয়াৰ পদ খালী হ'লে নিয়মাৱলীৰ ২২ বিধি প্ৰযোজ্য হ'ব। শাখা সভাৰ বাৰ্ষিক অধিৱেশনত গৃহীত হোৱা জমা-খৰচৰ হিচাপ, পৰৱৰ্তী বছৰৰ বাবে গঠিত হোৱা কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ নাম-ঠিকনা অধিৱেশনৰ সামৰণিৰ ১৫ দিনৰ ভিতৰত সভাৰ কেন্দ্ৰীয় কাৰ্যালয়লৈ পঠাব লাগিব। ইয়াৰ পৰিপন্থী কাম কৰিলে বিষয়ববীয়াৰ বিৰুদ্ধে প্ৰচলিত আইন অনুসৰি ব্যৱস্থা লোৱা হ'ব।

## অষ্টম ছেদ ঃ জিলা সাহিত্য সভা

৩১। (ক) অসম সাহিত্য সভাৰ সাংগঠনিক কাম-কাজৰ সুবিধাৰ বাবে সভাৰ নিয়মাৱলীৰ চতুৰ্থ ছেদৰ ৬ (গ) বিধি অনুসৰি অসমৰ প্ৰত্যেক প্ৰশাসনীয় জিলাৰ শাখাসমূহলৈ সভাই একোখন 'জিলা সাহিত্য সভা' গঠন কৰিব। এই জিলা সভা নিয়মাৱলীৰ (ঘ) মতে, ১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নং আইন অনুসৰি ১৯২৪ খ্ৰীষ্টাব্দৰ ৫ মে' তাৰিখে পঞ্জীভুক্ত হোৱা অসম সাহিত্য সভা পঞ্জীয়নৰ অন্তৰ্গত হ'ব। কোনো জিলা সভা সুকীয়াকৈ পঞ্জীয়ন কৰাব নোৱাৰিব। (ওপৰঞ্চি (চ) আৰু (চ) অতিৰিক্ত- প্ৰ-পত্ৰ জিলা সভাই পূৰ্ণ কৰি পঠিয়াব)। প্ৰত্যেক জিলা সভাই বাৰ্ষিক বৰঙণি ৫০.০০ টকা, জাতীয় ন্যাস পুঁজিলৈ বৰঙণি ১০০.০০ টকা আৰু প্ৰতি সংখ্যাৰ ২৫ খন পত্ৰিকাৰ বৰঙণি দিলেহে সক্ৰিয় বুলি ধৰা হ'ব।

(খ) জিলা সভাই মূল সভাৰ কৰ্তৃত্বৰ অধীনত থাকি সভাৰ উদ্দেশ্য আৰু লক্ষ্য পূৰণৰ বাবে এটা 'সাংগঠনিক স্তৰ' হিচাপে কাম কৰিব।

(গ) জিলা সভাই নিজৰ জিলাত সভাৰ নিয়মাৱলীৰ চতুৰ্থ ছেদৰ ৬ (খ) বিধি অনুসৰি শাখা সভা গঠন কৰিব, দুবছৰ বা ততোধিক সময়ৰ বছৰেকীয়া সভ্য ভৰ্তিৰ বৰঙণি আদায় নকৰা আৰু মূল সভাৰ নিৰ্দেশ অনুসৰি নিয়মীয়া কৰ্মসূচী ৰূপায়ণ নকৰা নিষ্ক্ৰিয় শাখা সভা সক্ৰিয় কৰি তোলাৰ ব্যৱস্থা কৰিব, কোনো শাখা সভাই সভাৰ নিয়মাৱলী ভংগ কৰা দেখিলে মূল সভাক জনাব আৰু সভাৰ প্ৰধান সম্পাদকৰ অনুমোদনক্ৰমে ব্যৱস্থা গ্ৰহণ কৰিব।

(ঘ) জিলাত গঠিত সকলো 'শাখা সভা' জিলা সভাৰ অন্তৰ্গত হ'ব। মূল সভাই পোনে পোনে নাইবা চাহ বাগিচা উপ-সমিতি আৰু চৰ-চাপৰি উপ-সমিতিৰ যোগে গঠন কৰা শাখা সভাসমূহৰ ক্ষেত্ৰত জিলা সভাক সেই সম্পৰ্কে আৱশ্যকীয় তথ্যপাতি দি প্ৰধান সম্পাদকে তেনে শাখাক অন্তৰ্ভুক্ত কৰি ল'বৰ বাবে জিলা সভাক জাননী দিব ।

(ঙ) শাখা সভাসমূহৰ যোগে কৰা সভ্যসকলৰ প্ৰতিগৰাকী সভ্যৰ কেৱল বছৰেকীয়া বৰঙণিৰ ২.০০ (দুটকা) সংশ্লিষ্ট জিলা সাহিত্য সভাই পাব।

(চ) প্ৰতি জিলা সভাই নিজৰ কাম-কাজ চলাবৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰিব পাৰিব আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তি অৰ্জন কৰিব পাৰিব। কিন্তু জিলা সভাৰ নামত কোনো হিতৈষী সভ্য বা আজীৱন সভ্য ভৰ্তি কৰিব নোৱাৰিব।

(ছ) জিলা সভাই অৰ্জন কৰা সকলো সম্পত্তিৰ অৰক্ষণ অসম সাহিত্য সভাৰ বিধি আৰু নিৰ্দেশ অনুসৰি হ'ব আৰু কোনো জিলা সভা নিষ্ক্ৰিয় হ'লে সেই জিলা সভাৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ মূল সভাৰ পোনপটীয়া অধিকাৰলৈ আহিব।

(জ) জিলা সভাৰ এগৰাকী সভাপতি, এগৰাকী উপ-সভাপতি, এগৰাকী সম্পাদক, এগৰাকী সহকাৰী সম্পাদক, এগৰাকী ধনভঁৰালী, এগৰাকী পত্ৰিকা সম্পাদক বা প্ৰকাশন সচিব আৰু অন্যূন ৯ জন সদস্যৰে এখন ১৫ জনীয়া 'কাৰ্যনিৰ্বাহক সমিতি' থাকিব। কোনো ক্ষেত্ৰতে কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াসহ সদস্য সংখ্যা ২১ জনৰ বেছি হ'ব নোৱাৰিব। সদস্য নিৰ্বাচন কৰোতে যাতে স্থানীয় লেখক-লেখিকা, মূল সভাৰ আজীৱন সভ্য, হিতৈষী সভ্য, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অনুৰাগী আদি অন্তৰ্ভুক্ত হয় তাৰ প্ৰতি চকু ৰাখিব। বছৰত কমেও ৪ বাৰ কাৰ্যনিৰ্বাহক সমিতি বহুৱাব লাগিব।

(ঝ) সমিতিৰ কাৰ্যকাল ২ বছৰীয়া হ'ব আৰু কোনো কাৰণতে একেলেথাৰিয়ে ৪ বছৰতকৈ অধিক কাল একেটা পদতে কোনো ব্যক্তি সমিতিৰ বিষয়ববীয়া বা সদস্য হৈ থাকিব নোৱাৰিব। শাখা সভাৰ কাৰ্যকাল ২ বছৰ হ'ব আৰু ৩ নং বিধি প্ৰযোজ্য হ'ব।

(ঞ) জিলা সভাৰ সম্পাদক কাৰ্যনিৰ্বাহক সমিতি, প্ৰতিনিধি সভা, অধিৱেশন আৰু উপ-সমিতিৰ আহ্বায়ক হ'ব।

(ট) জিলা সাহিত্য সভাৰ ক্ষেত্ৰতো নিয়মাৱলীৰ ৬ (ক,খ,গ), ১৩, ১৪, ২১, ২২, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩৩ (ঘ), ৪৯, ৫০, ৭০, ৭১, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০ (ক, খ) বিধি প্ৰযোজ্য হ'ব। উল্লেখযোগ্য যে মূল সভাৰ সম্পাদককহে 'প্ৰধান সম্পাদক' স্বৰূপে চিহ্নিত হ'ব। শাখা বা জিলাৰ সম্পাদক কেৱল 'সম্পাদক' হিচাপে চিহ্নিত হ'ব।

(ঠ) প্ৰতি জিলা সভাই মূল সভাৰ দ্বাৰা প্ৰকাশিত পত্ৰিকাৰ কমেও প্ৰত্যেক সংখ্যাৰ ৪০ খনকৈ ল'ব লাগিব। জিলা সভাই সভাৰ পত্ৰিকা আৰু প্ৰকাশন কাৰ্যনিৰ্বাহক সমিতিয়ে বান্ধি দিয়া মতে ৰেহাই মূল্যত পাব।

(ড) প্ৰতি জিলা সভাই মূল সভালৈ পঠিয়াবলগীয়া বছৰেকীয়া বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু শাখাৰ তালিকাসহ বছৰেকীয়া কামৰ বিৱৰণ, পৰীক্ষিত সাধাৰণ সভাত গৃহীত আয়-ব্যয়ৰ প্ৰতিবেদন প্ৰতি খ্ৰীষ্টীয় বৰ্ষৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ ভিতৰত পঠিয়াব লাগিব। প্ৰধান সম্পাদকৰ নামত কেন্দ্ৰীয় কাৰ্যালয়লৈ কোনো জিলা সভাই বছৰেকীয়া বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু অন্যান্য দেয় ধন আদায়ৰ লগতে শাখা সভাৰ পৰা সংগ্ৰহ কৰা সভ্য ভৰ্তিৰ বহীসহ মাচুল, বৰঙণি আৰু জাতীয় ন্যাস পুঁজিৰ বৰঙণি আদায় নকৰিলে তেনে জিলা সভাই অসম সাহিত্য সভাৰ বছৰেকীয়া বিশেষ সভা, প্ৰতিনিধি সভা বা কোনো প্ৰতিনিধিত্বমূলক সভাত প্ৰতিনিধিত্ব কৰিব নোৱাৰিব আৰু তেনে জিলা সভা নিয়মাৱলীৰ ৬ষ্ঠ ছেদৰ ২৪ বিধি অনুসৰি অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব লাগিব।

(ঢ) প্ৰত্যেক জিলা সভাই জিলাৰ অন্তৰ্গত শাখাসমূহৰ যোগে অসম সাহিত্য সভাৰ সভ্য ভৰ্তিৰ বাবে আৱশ্যকীয় সংখ্যক সভ্য ভৰ্তিৰ বহী সময়মতে সংগ্ৰহ কৰিব, বিতৰণ কৰিব আৰু ৩১ ডিচেম্বৰৰ ভিতৰত কাৰ্যালয়ত জমা দিব লাগিব।

(ণ) জিলা সভাই একোখন আয়-ব্যায়ৰ বহী, ৰছিদ আৰু দেয়কৰ নথি, হিচাপ পৰীক্ষাৰ বহী আৰু শাখাৰ শুদ্ধ ঠিকনা তালিকাসহ আৱশ্যকীয় বহী আৰু নথি নিয়মমতে ৰাখি ব্যৱহাৰ কৰিব। জিলাৰ সম্পাদকে এই সকলো দায়িত্ব বহন কৰিব। শাখা সভাৰ সম্পাদক সলনি হ'লে জিলা সভাই মূল সভাক জনাব যাতে যোগাযোগৰ ক্ষেত্ৰত সম্ভাব্য ত্ৰুটি-বিচ্যুতি দূৰ কৰিব পাৰি।

(ত) জিলা সভাই স্থানীয় ডাকঘৰ বা যিকোনো বেংকত জিলা সভাৰ নামত এটা হিচাপ খুলিব আৰু এই হিচাপ সম্পাদক আৰু ধনভঁৰালীৰ যুটীয়া স্বাক্ষৰত পৰিচালনা কৰিব। জিলা সভাৰ সম্পাদকৰ হাতত ৫০০.০০ (পাঁচশ) টকাতকৈ অধিক ধন ৰাখিব নোৱাৰিব।

(থ) প্ৰত্যেক জিলা সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে এই সভাৰ অন্তৰ্গত শাখা সভাসমূহৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত জিলা সভাৰ পৰৱৰ্তী বছৰৰ সভাপতি পদৰ বাবে অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থকা, বিদ্যায়তনিক আৰু সভাৰ সাংগঠনিক ক্ষেত্ৰত অভিজ্ঞ ৫০ (পঞ্চাছ) বছৰৰ ওপৰ বয়সৰ ব্যক্তিৰ নাম প্ৰস্তাৱ কৰি আনিব লাগিব। উপ-সভাপতিৰ ক্ষেত্ৰত ব্যক্তিগৰাকীৰ বয়স ৪৫ বছৰৰ ওপৰ আৰু সম্পাদকৰ ক্ষেত্ৰত ৩৫ বছৰৰ ওপৰ হ'ব লাগিব। তেওঁলোকৰ দুয়োৰে শাখা সভা পৰ্যায়ত সাংগঠনিক ক্ষেত্ৰত কমেও ৬ বছৰ কাম কৰাৰ অভিজ্ঞতা, অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থাকিব লাগিব। জিলা সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকৰ নিৰ্বাচনী পদ্ধতি মূল সভাৰ নিৰ্বাচনী পদ্ধতিৰে অনুষ্ঠিত হ'ব। এই কাৰ্যৰ বাবে মূল সভাৰ নিৰ্বাচনী বিধি সম্পূৰ্ণ প্ৰযোজ্য হ'ব। কোনো ওজৰ-আপত্তি থাকিলে মূল সভাক অৱগত কৰিব পাৰিব আৰু মূল সভাৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

(দ) জিলা সভাৰ সভাপতিৰ ক্ষেত্ৰত নিয়মাৱলীৰ ৪২ (১) (গ,ঘ) বিধি প্ৰযোজ্য হ'ব।

(ধ) জিলা সভাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকৰ বাহিৰে অন্যান্য বিষয়াববীয়াসকল মূল সভাৰ দৰে প্ৰাৰম্ভিক বৈঠকত মনোনীত হ'ব।

(ন) মূল সভাৰ নিয়মাৱলী জিলা সভাৰ বাবেও আৰ্হি হ'ব আৰু উল্লিখিত বিধিৰ অন্তৰ্ভুক্ত নোহোৱা কোনো বিষয়ৰ ক্ষেত্ৰত মূল সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত আৰু নিৰ্দেশ পালনীয় হ'ব।

(প) জিলা সাহিত্য সভাৰ অন্যান্য বিষয়ববীয়া কাৰ্যনিৰ্বাহক সদস্যসকলে নিজ নিজ জিলাত, জিলা সভাৰ অন্তৰ্গত শাখা সভা সমূহৰ যোগে মূল সভাৰ নতুন সভ্য ভৰ্তিকৰণ, নবীকৰণ, সন্মানীয় হিতৈষী সভ্য, হিতৈষী সভ্য আৰু আজীৱন সভ্য ভৰ্তি, নিষ্ক্ৰিয় শাখা সক্ৰিয়কৰণ, নতুন শাখা গঠন, শাখা সভাৰ কাৰ্যসূচী ৰূপায়ণ আৰু বাৰ্ষিক প্ৰতিবেদন গ্ৰহণৰ ক্ষেত্ৰত মূল সভাৰ হৈ পদক্ষেপ গ্ৰহণৰ বাবে দায়িত্ব পালন কৰিব। এই দায়িত্ব পালন কৰোতে হোৱা ভ্ৰমণ ব্যয় মূল সভাৰ পৰা দিয়া নহ'ব।

## নৱম ছেদ ঃ স্বীকৃত সাহিত্য সভা

৩২। (ক) যিকোনো শিক্ষা, সংস্কৃতিমূলক সাহিত্যানুষ্ঠান বা সভাই অসম সাহিত্য সভাৰ উদ্দেশ্য আৰু নিয়মাৱলী মানি চলাৰ প্ৰতিশ্ৰুতি দি ভৰ্তি মাচুল ২০০.০০ টকা, বাৰ্ষিক বৰঙণি ১৫০.০০ টকা, জাতীয় ন্যাস পুঁজিলৈ ১০০.০০ (এশ) টকা দিলে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে 'স্বীকৃত সভা' হিচাপে অনুমোদন জনাব পাৰিব। এনে সভাৰ একোজন প্ৰতিনিধিয়ে অধিৱেশনত যোগদান কৰিব পাৰিব। কিন্তু ভোটাধিকাৰ নাথাকিব।

(খ) স্বীকৃত সভাই প্ৰতি বছৰে সভাৰ বাৰ্ষিক অধিৱেশনৰ অন্ততঃ ৩ মাহৰ আগতে বাৰ্ষিক বৰঙণি ১৫০.০০ টকা, জাতীয় ন্যাস পুঁজিলৈ বৰঙণি ১০০.০০ টকা জমা দি নবীকৰণ কৰিব লাগিব।

## দশম ছেদ ঃ অধিৱেশন

৩৩। (ক) সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন দুবছৰৰ মূৰত বহিব।

(খ) মাজৰ বছৰটোত বিশেষ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত কাৰ্যনিৰ্বাহক সভা, প্ৰতিনিধি সভা, মুকলি সভা আদিৰে তিনিদিনতকৈ বেছি হ'ব নালাগিব। অধিৱেশন শাখা আৰু জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকলক লৈ অনুষ্ঠিত হ'ব। তেওঁলোক অপাৰগ হ'লে মনোনীত প্ৰতিনিধি পঠাব পাৰিব।

(গ) বিশেষ বাৰ্ষিক অধিৱেশন কোনো শাখা বা জিলা সভাই নিমন্ত্ৰণ জনাব পাৰিব, অন্যথা সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত হ'ব।

(ঘ) যি ঠাইত অধিৱেশন আমন্ত্ৰণ কৰে, সেই ঠাইৰ শাখা সভাই লিখিতভাৱে আমন্ত্ৰণ জনাব পাৰিব। কিন্তু সংশ্লিষ্ট জিলাৰ অনুমোদন ল'ব তথা সভাৰ নিয়মাৱলীৰ উপ-বিধিৰ 'খ' ছেদ যথাযথভাৱে পালন কৰাৰ প্ৰতিশ্ৰুতি দান কৰিব লাগিব।

(ঙ) বিশেষ আৰু দ্বি-বাৰ্ষিক অধিৱেশনৰ 'স্থান নিৰ্বাচন উপ-সমিতি' নিম্নলিখিত সদস্যৰে গঠিত হ'ব।

১। সভাৰ বৰ্তমান বছৰৰ সভাপতি

২। সভাৰ বৰ্তমান বছৰৰ উপ-সভাপতি

৩। সভাৰ বৰ্তমান বছৰৰ প্ৰধান সম্পাদক

৪। কাৰ্যনিৰ্বাহকৰ দ্বাৰা মনোনীত দুগৰাকী সদস্য

৩৪। উপবিধি 'খ' ছেদৰ আধাৰত অধিৱেশন আমন্ত্ৰণ কৰা শাখা সভা, আদৰণী সমিতিয়ে সভাৰ লগত এখনি চুক্তিত (দলিলত) স্বাক্ষৰ কৰিব লাগিব।

৩৫। অধিৱেশনৰ কাৰণে প্ৰত্যেক শাখা সভাই প্ৰতি ৫০ (পঞ্চাছ) জন সভ্যৰ পৰা এজনকৈ আৰু ওপৰঞ্চি ২৫ (পঁচিছ) জনত এজনকৈ প্ৰতিনিধি পঠাব পাৰিব। (ব্যাখ্যা ঃ ১-৫০-৭৪ লৈ এজন, ৭৫-১২৪ লৈ দুজন, ১২৫-১৭৪ লৈ তিনিজন, ১৭৫-২২৪ লৈ চাৰিজন,

২২৫-২৭৪ লৈ পাঁচজন, ২৭৫-৩২৪ লৈ ছজন। এই অনুক্ৰমে প্ৰতিনিধিত্ব পাব)।

৩৬। শাখা সভাৰ প্ৰতিনিধি, কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য, প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক, সন্মানীয় হিতৈষী সভ্য, হিতৈষী সভ্য, জিলা সভাৰ সভাপতি আৰু সম্পাদকে দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচীত যোগদান কৰিব।

৩৭। (ক) অধিৱেশনৰ আদৰণী সমিতিয়ে অধিৱেশনলৈ সমিতিৰ ৩ জন সভ্য প্ৰতিনিধি হিচাপে পঠিয়াব পাৰিব।

(খ) কাৰ্যনিৰ্বাহক সমিতিয়ে আজীৱন সভ্যৰ ৫০ জনৰ মাজৰ পৰা ১ জনকৈ প্ৰতিনিধি নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰিব।

৩৮। সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰত্যেক শাখা সভা, জিলা সাহিত্য সভা, আদৰণী সমিতিৰ প্ৰস্তাৱ আগবঢ়োৱাৰ অধিকাৰ থাকিব। নিষ্ক্ৰিয় জিলা আৰু শাখা সভাসমূহৰ প্ৰস্তাৱ আগবঢ়োৱাৰ অধিকাৰ নাথাকিব।

৩৯। (ক) 'অসমীয়া ভাষা-সাহিত্যলৈ মৌলিক বৰঙণি আগবঢ়োৱা অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠিত লেখকৰূপে স্বীকৃত, পঞ্চাশোৰ্ধ বয়সৰ লব্ধ প্ৰতিষ্ঠ একোগৰাকী লেখক-লেখিকাৰ নাম অসম সাহিত্য সভাৰ প্ৰতিখন জিলা সভা, শাখা সভা আৰু আদৰণী সমিতিৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত পোৱাকৈ নিৰ্বাচনী বিষয়াই প্ৰস্তাৱ আহ্বান কৰিব। সভাই পঠিওৱা প্ৰস্তাৱ প্ৰ-পত্ৰখনত জিলা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰসহ ছীল-মোহৰ মাৰি নিৰ্ধাৰিত কৰা 'পোষ্ট বক্স' নম্বৰত জমা হ'ব। নিৰ্বাচনী বিষয়াই এনেদৰে অহা প্ৰস্তাৱসমূহ কাৰ্যনিৰ্বাহকৰ আগেয়ে কৰ্ণধাৰ সমিতিৰ সভাত গণনা কৰি ক্ৰমানুসৰি সৰ্বাধিক মনোনয়ন লাভ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰি ছীল-মোহৰ মাৰি সভাৰ সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতিৰ লগত আলোচনা কৰি উক্ত তালিকাৰ ভিত্তিত প্ৰধান সম্পাদকৰ যোগে সেই তালিকাৰ ক্ৰম অনুসৰি প্ৰথমৰ পৰা ব্যক্তিগৰাকীৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। নিৰ্বাচনী বিষয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহকত সভাপতিগৰাকীৰ নাম ঘোষণা কৰিব। এই কাৰ্য ৩১ ডিচেম্বৰৰ ভিতৰত সম্পন্ন কৰিব লাগিব। যিহেতুকে সভাৰ সভাপতিগৰাকী সভাৰ সৰ্বোচ্চসন্মানৰ অধিকাৰী, সেয়ে, দুটা কাৰ্যকালতকৈ অধিক কালৰ বাবে এগৰাকী ব্যক্তি আৰু ইতিমধ্যে সভাৰ সভাপতি পদ অলংকৃত কৰা সকলৰ নাম দুনাই সভাপতিৰ পদৰ বাবে বিবেচিত নহ'ব।

৪০। কাৰ্যভাৰ লোৱাৰ আগতে সেই পদ খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে তালিকাৰ ক্ৰম অনুসৰি পিছৰজনৰ সন্মতি লৈ 'সভাপতি' হিচাপে ঘোষণা কৰিব।

৪১। (ক) আকস্মিক কাৰণত 'সভাপতি' সেই অধিৱেশনত উপস্থিত হ'ব নোৱাৰিলে নিৰ্বাচিত উপ-সভাপতিয়ে অধিৱেশনৰ কাৰ্যসূচী পৰিচালনা কৰিব।

(খ) প্ৰথম বছৰৰ শেষত চলিত বছৰৰ কাৰ্যনিৰ্বাহকৰ সকলো সদস্য, জিলাসমূহৰ সভাপতি

আৰু সম্পাদক, শাখা সভাসমূহৰ সভাপতি, সম্পাদক আৰু সন্মানিত আৰু বিশেষ সভ্যসকলক আমন্ত্ৰণ কৰি 'বিশেষ বাৰ্ষিক অধিৱেশন' অনুষ্ঠিত হ'ব। উক্ত সভাত বছৰটোত সমাপন হোৱা সকলো কাম-কাজ আৰু আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰিব লাগিব।

## একাদশ ছেদ ঃ বিষয়ববীয়াসকল

### সভাপতি

৪২। (১) (ক) নিয়মাৱলীৰ ৩৯ বিধি অনুসৰি সভাপতি নিৰ্বাচিত হ'ব।

(খ) সভাপতি সভাৰ মুখ্য কাৰ্যকৰ্তা হ'ব আৰু তেওঁৰ ওপৰতে সাধাৰণভাৱে সভাৰ সকলো দায়িত্ব ন্যস্ত থাকিব।

(গ) তেওঁ মূল অধিৱেশনত, কাৰ্যনিৰ্বাহক সমিতিৰ সকলো অধিৱেশনত, সভাৰ সকলো অনুষ্ঠানত আৰু পৰৱৰ্তী বছৰৰ অধিৱেশনৰ প্ৰতিনিধি সভাত সভাপতিত্ব কৰিব।

(ঘ) কাৰ্যনিৰ্বাহক সমিতি বা প্ৰতিনিধি সভাই গঠন কৰি দিয়া যিকোনো উপ-সমিতিৰ বৈঠকত উপস্থিত থকাৰ অধিকাৰ তেওঁৰ থাকিব আৰু উপস্থিত থাকিলে তেৱেঁই সেই বৈঠকৰ সভাপতি হ'ব।

(ঙ) নিয়মাৱলীৰ কোনো নিয়মৰ ব্যতিক্ৰম বা অপব্যৱহাৰ হোৱা দেখিলে নিয়মতান্ত্ৰিকতা ৰক্ষাৰ হকে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব।

(চ) সভাপতিৰ অনুপস্থিতিত সভাৰ সকলো অনুষ্ঠানত উপ-সভাপতিয়ে সভাপতিত্ব কৰিব। কোনো বিশেষ অনুষ্ঠানত সভাপতিত্ব কৰিবৰ বাবে সভাৰ প্ৰাক্তন সভাপতি এগৰাকীক কাৰ্যনিৰ্বাহক সমিতিয়ে নিমন্ত্ৰণ জনাব পাৰিব।

(ছ) মনোনীত কোনো বিষয়ববীয়াৰ কামত সন্তুষ্ট হ'ব নোৱাৰিলে উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ লগত আলোচনা কৰি উক্ত মনোনীত বিষয়ববীয়া বা সদস্যক বাদ দি আনৰ ওপৰত দায়িত্ব ন্যস্ত কৰিব পাৰিব

### উপ-সভাপতি

৪২।(২) (ক) 'অসমীয়া ভাষা-সাহিতলৈ বৰঙণি আগবঢ়োৱা অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠিত লেখকৰূপে স্বীকৃত, সভাৰ লগত ঘনিষ্ঠ ভাৱে জড়িত ৪৫ৰ ওপৰ বয়সৰ একোগৰাকী লেখক-লেখিকাৰ নাম অসম সাহিত্য সভাৰ প্ৰতিখন জিলা আৰু শাখা সভাসমূহৰ লগতে আদৰণী সমিতিৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত পোৱাকৈ নিৰ্বাচনী বিষয়াই প্ৰস্তাৱ আহ্বান কৰিব। সভাই পঠিওৱা প্ৰস্তাৱ প্ৰ-পত্ৰখনত জিলা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰসহ ছীল-মোহৰ মাৰি নিৰ্ধাৰিত কৰা 'পোষ্ট বক্স' নম্বৰত জমা হ'ব। নিৰ্বাচনী বিষয়াই এনেদৰে অহা প্ৰস্তাৱসমূহ কাৰ্যনিৰ্বাহকৰ আগেয়ে কৰ্ণধাৰ সমিতিৰ সভাত গণনা কৰি ক্ৰমানুসৰি সৰ্বাধিক মনোনয়ন লাভ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰি ছীল-মোহৰ মাৰি সভাৰ সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতিৰ লগত আলোচনা কৰি উক্ত তালিকাৰ ভিত্তিত প্ৰধান সম্পাদকৰ যোগে সেই তালিকাৰ ক্ৰম অনুসৰি প্ৰথমৰ পৰা ব্যক্তিগৰাকীৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। নিৰ্বাচনী বিষয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহকত উপ-সভাপতিগৰাকীৰ নাম ঘোষণা কৰিব। এই কাৰ্য ৩১ ডিচেম্বৰৰ ভিতৰত সম্পন্ন কৰিব লাগিব।

(খ) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে সকলো কাম চলাব। কাৰ্যকালৰ মাজতে সভাপতিৰ পদ খালী হ'লে উপ-সভাপতিয়ে ভাৰপ্ৰাপ্ত সভাপতিস্বৰূপে কাৰ্যনিৰ্বাহ কৰিব। সভাৰ বিত্তীয় লেন-দেন উপ-সভাপতিয়ে পৰ্যবেক্ষণ আৰু চোৱা-চিতা কৰিব আৰু প্ৰয়োজন সাপেক্ষে সভাপতিক অৱগত কৰি পৰামৰ্শ লৈ প্ৰধান সম্পাদকক জনাব।

(গ) যিকোনো কাৰণত উপ-সভাপতিৰ পদ খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে কাৰ্যনিৰ্বাহকৰ মাজৰ পৰা উপযুক্ত বুলি বিবেচিত এগৰাকীক উপ-সভাপতি হিচাপে মনোনীত কৰিব।

(ঘ) সভাৰ এহেজাৰ বা তাতকৈ অধিক লেন-দেনৰ ক্ষেত্ৰত প্ৰধান সম্পাদকে উপ-সভাপতিৰ অনুমোদন ল'ব লাগিব। সভাপতিৰ অনুপস্থিতিত সভাৰ ন্যাসসমিতি আৰু উপসমিতিসমূহৰ সভাত উপ-সভাপতিয়ে সভাপতিত্ব কৰিব আৰু সভাপতিক অৱগত কৰাব।

(ঙ) সাংগঠনিক কামত মনোযোগ দিয়াৰ উপৰি তেওঁ সভাৰ কাৰ্যসূচী ৰূপায়ণতো মনোনিৱেশ কৰিব।

(চ) শাখা সভাসমূহৰ বাৰ্ষিক অধিৱেশনৰ আমন্ত্ৰণ ৰক্ষা কৰিব আৰু সভাপতিৰ পৰামৰ্শ মৰ্মে জিলাৰ অধিৱেশনতো যোগদান কৰিব।

### প্ৰধান সম্পাদক

৪২। (৩) (ক) অসমীয়া ভাষা-সাহিত্যৰ লেখকৰূপে স্বীকৃত, সভাৰ লগত ঘনিষ্ঠ ভাৱে জড়িত, ৩৫ৰ ওপৰ বয়সৰ একোগৰাকী লেখক-লেখিকাৰ নাম অসম সাহিত্য সভাৰ প্ৰতিখন জিলা আৰু শাখা সভা আৰু আদৰণী সমিতিৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত পোৱাকৈ নিৰ্বাচনী বিষয়াই প্ৰস্তাৱ আহ্বান কৰিব। সভাই পঠিওৱা প্ৰস্তাৱ প্ৰ-পত্ৰখনত জিলা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰসহ ছীল-মোহৰ মাৰি নিৰ্ধাৰিত কৰা 'পোষ্ট বক্স' নম্বৰত জমা হ'ব। নিৰ্বাচনী বিষয়াই এনেদৰে অহা প্ৰস্তাৱসমূহ কাৰ্যনিৰ্বাহকৰ আগেয়ে কৰ্ণধাৰ সমিতিৰ সভাত গণনা কৰি ক্ৰমানুসৰি সৰ্বাধিক মনোনয়ন লাভ কৰা ব্যক্তিৰ তালিকা প্ৰস্তুত কৰি ছীল-মোহৰ মাৰি সভাৰ সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতিৰ লগত আলোচনা কৰি উক্ত তালিকাৰ ভিত্তিত প্ৰধান সম্পাদকৰ যোগে সেই তালিকাৰ ক্ৰম অনুসৰি প্ৰথমৰ পৰা ব্যক্তিগৰাকীৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। নিৰ্বাচনী বিষয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহকত প্ৰধান সম্পাদকগৰাকীৰ নাম ঘোষণা কৰিব। এই কাৰ্য ৩১ ডিচেম্বৰৰ ভিতৰত সম্পন্ন কৰিব লাগিব।

(খ) প্ৰধান সম্পাদক কাৰ্যনিৰ্বাহক সমিতিৰ সম্পাদক হ'ব আৰু সমিতিৰ কাৰ্যবিৱৰণী লিখি ৰাখিব।

(গ) সমিতিৰ সিদ্ধান্তসমূহ কাৰ্যত পৰিণত কৰাৰ ব্যৱস্থা কৰিব, কেন্দ্ৰীয় আৰু আনুষংগিক কাৰ্যালয় পৰিচালনা কৰাৰ ঘাই দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত থাকিব।

(ঘ) সভাৰ সকলো উপ-সমিতিৰ পদেন সদস্য হ'ব।

(ঙ) প্ৰতিনিধি সভাৰ সম্পাদক হ'ব আৰু নিজে উপস্থিত থাকি সেই কাৰ্য পৰিচালনাত সভাপতিক সহায় কৰিব।

(চ) অধিৱেশন আৰু কাৰ্যনিৰ্বাহক সমিতিৰ আৰু নিৰ্দিষ্ট কৰা নাথাকিলে সকলো উপ-সমিতিৰ আহ্বায়ক হ'ব।

(ছ) সভাৰ হৈ চুক্তি-পত্ৰ আদিত স্বাক্ষৰ কৰিব, সভাৰ মোকৰ্দমা আদি পৰিচালনা কৰিব। সভাৰ ওপৰত মোকৰ্দমা হ'লে তেওঁৰ নামত হ'ব।

(জ) কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শ অনুযায়ী আন যাৱতীয় কাৰ্য চলাব।

(ঝ) প্ৰধান সম্পাদক গুৱাহাটীৰ নহ'লে গুৱাহাটীৰ সহকাৰী সম্পাদক তিনিওটি ভৱনৰ অৰক্ষণ সমিতিৰ আহ্বায়ক হ'ব। ডিফু, ধুবুৰী আৰু ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ প্ৰধান সম্পাদক সেই সেই ঠাইৰ নহ'লে আঞ্চলিক কাৰ্যালয়ৰ সহকাৰী সম্পাদক সেই ভৱন অৰক্ষণ সমিতিসমূহৰ আহ্বায়ক হ'ব। কিন্তু সহকাৰী সম্পাদকে অৰক্ষণৰ কাম সুচাৰুৰূপে চলাব পৰা নাই বুলি প্ৰত্যয় গ'লে কাৰ্যনিৰ্বাহক সমিতিত বিষয়টো উত্থাপন কৰি প্ৰয়োজন সাপেক্ষে প্ৰধান সম্পাদক অৰক্ষণ সমিতিসমূহৰ আহ্বায়ক দায়িত্ব ল'ব (চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ বাহিৰে)। প্ৰধান সম্পাদক আৰু সভাৰ ধনভঁৰালীৰ যুটীয়া স্বাক্ষৰত অৰক্ষণ পুঁজিসমূহ পৰিচালিত হ'ব।

(ঞ) বিত্তীয় লেন-দেনৰ ক্ষেত্ৰত তেওঁ সম্পূৰ্ণ দায়বদ্ধ হ'ব।

(ট) কাৰ্যকালৰ মাজতে প্ৰধান সম্পাদকৰ পদ খালী হ'লে অভিজ্ঞতাৰ ভিত্তিত যিকোনো এজন সহকাৰী সম্পাদকক কাৰ্যনিৰ্বাহক সমিতিয়ে অস্থায়ীভাৱে ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদকৰ দায়িত্ব নিৰ্বাহ কৰিবলৈ দিব পাৰিব। ৬ (ছয়) মাহতকৈ অধিককালৰ বাবে উক্ত পদ খালী হৈ থাকিলে অস্থায়ীভাৱে প্ৰধান সম্পাদকৰ দায়িত্ব নিৰ্বাহ কৰা গৰাকী প্ৰধান সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

## ধনভঁৰালী

৪২। (৪) (ক) প্ৰশাসনীয় সুবিধাৰ্থে কেন্দ্ৰীয় কাৰ্যালয় / গুৱাহাটী কাৰ্যালয় থকা স্থানৰ পৰা মনোনীত কৰিব। তেওঁৰ হিচাপ ৰখাৰ অভিজ্ঞতা থাকিব লাগিব আৰু বিত্তীয় লেন-দেনৰ ক্ষেত্ৰত দায়বদ্ধ হ'ব।

(খ) প্ৰধান সম্পাদকে ৰখা সভাৰ হিচাপ-পত্ৰ চাব, সভাৰ বিভিন্ন ন্যাস-পুঁজি আৰু অৰক্ষণ পুঁজিসমূহ চাব আৰু কাৰ্যনিৰ্বাহক সমিতিৰ একোটি সমীক্ষামূলক প্ৰতিবেদন দাখিল কৰিব।

(গ) সভাৰ আঁচনি প্ৰণয়ন কৰা, বাজেট প্ৰস্তুত কৰা আৰু সভাৰ হিচাপ-পত্ৰাদি ৰখাত প্ৰধান সম্পাদকক সহায় কৰিব আৰু সভাৰ বছৰেকীয়া হিচাপ পৰীক্ষা কৰোৱাৰ ব্যৱস্থা কৰিব।

## সহকাৰী সম্পাদক

৪২। (৫) (ক) প্ৰধান সম্পাদকে ন্যস্ত কৰা সকলো কাৰ্য পৰিচালনা কৰিব। নিজ নিজ কাৰ্যালয়ৰ নথি-পত্ৰাদি সংৰক্ষণ কৰিব।

(খ) প্ৰধান সম্পাদকৰ অনুপস্থিতিত সভাপতি আৰু উপ-সভাপতিৰ পৰামৰ্শ লৈ সভাৰ কাম পৰিচালনা কৰিব। যিকোনো কাৰণত প্ৰধান সম্পাদকৰ পদ খালী হ'লে সভাপতি, উপ-সভাপতিৰ লগত আলোচনা কৰি সহকাৰী সম্পাদক পাঁচগৰাকীৰ মাজৰ পৰা অভিজ্ঞতাৰ ভিত্তিত এগৰাকীক কাৰ্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে প্ৰধান সম্পাদকৰ কাৰ্যভাৰ অস্থায়ীভাৱে অৰ্পণ কৰিব। কাৰ্যালয়ৰ দায়িত্বত থকা পুথি ভঁৰালৰ দায়িত্বত থাকি সভাৰ দ্বাৰা প্ৰকাশ কৰা গ্ৰন্থসমূহৰ বিক্ৰীৰ ব্যৱস্থা কৰিব। যিকোনো বিত্তীয় লেন-দেনৰ ক্ষেত্ৰত সংশ্লিষ্ট কাৰ্যালয়ৰ সহকাৰী সম্পাদকৰ মাধ্যমেৰে প্ৰধান সম্পাদকলৈ অগ্ৰসৰিত হ'ব আৰু প্ৰাপ্তি ৰচিদ আদিত সহকাৰী সম্পাদকেও স্বাক্ষৰ কৰিব।

## পত্ৰিকা সম্পাদক

৪২। (৬) (ক) অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থকা, পত্ৰ-পত্ৰিকা সম্পাদনা কৰাৰ অভিজ্ঞতা থকা সভাৰ লগত জড়িত ব্যক্তি এগৰাকী পত্ৰিকা সম্পাদক হিচাপে মনোনীত হ'ব। তেওঁ কাৰ্যনিৰ্বাহক সমিতিৰ ওচৰত দায়বদ্ধ হ'ব।

(খ) তেওঁ পত্ৰিকা সম্পাদনা সমিতিৰ পদেন সম্পাদক হ'ব।

(গ) পত্ৰিকাৰ সম্পাদকৰ কামত পৰামৰ্শ আদি দি সহায় কৰিবৰ কাৰণে পত্ৰিকা সম্পাদকৰ দৰেই অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি থকা ব্যক্তিৰে কাৰ্যনিৰ্বাহক সমিতিয়ে এখনি 'পত্ৰিকা সম্পাদনা সমিতি' গঠন কৰি দিব। সভাপতি আৰু প্ৰধান সম্পাদক এই সমিতিৰ ক্ৰমে পদেন সভাপতি আৰু সদস্য হ'ব। সভাপতি, প্ৰধান সম্পাদক আৰু পত্ৰিকা সম্পাদককে ধৰি এই সমিতিৰ সভ্য ৭ জনতকৈ বেছি হ'ব নোৱাৰিব।

(ঘ) কাৰ্যনিৰ্বাহক সমিতিৰ বা সমিতিয়ে গঠন কৰি দিয়া পত্ৰিকা সম্পাদনা সমিতিৰ পৰামৰ্শ অনুযায়ী পত্ৰিকা সম্পাদকে সভাই নিৰ্ধাৰণ কৰি দিয়া ছপাশালত পত্ৰিকা ছপোৱাৰ ব্যৱস্থা কৰিব। সাহিত্য সভাৰ হৈ প্ৰধান সম্পাদকৰ নামত পত্ৰিকা প্ৰকাশিত হ'ব। পত্ৰিকা সম্পাদকে সময়মতে পত্ৰিকা প্ৰকাশ কৰিব নোৱাৰিলে কাৰ্যনিৰ্বাহক সমিতিয়ে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

## ভাষা-জ্ঞান পৰীক্ষা সংসদ

৪২। (৭) (ক) অসমীয়া ভাষা-জ্ঞান পৰীক্ষা সংসদ স্থায়ী সমিতিৰূপে গঠিত হ'ব।

(খ) ইয়াৰ সদস্যসংখ্যা হ'ব ৭ জন আৰু প্ৰতি বছৰে জ্যেষ্ঠতাৰ ভিত্তিত তিনি ভাগৰ এভাগ সদস্যক সংসদৰ পৰা অৱসৰ দি নতুন সদস্যক কাৰ্যনিৰ্বাহক সমিতিয়ে মনোনয়ন দিব। ভাষা-জ্ঞান সংসদৰ সচিবগৰাকী এই সমিতিৰ আহ্বায়ক হ'ব।

(গ) অসম সাহিত্য সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক সংসদৰ পদেন সদস্য হ'ব।

(ঘ) সংসদৰ কাৰ্য পৰিচালনা কৰিবৰ নিমিত্তে সদস্যসকলৰ পৰা এজনক কাৰ্যনিৰ্বাহক সমিতিয়ে সভাপতি হিচাপে মনোনয়ন দিব।

(ঙ) কোনো সদস্যৰ পদ খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে সেই পদৰ বাবে নতুন সদস্যক মনোনয়ন দিব।

(চ) সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত (চন্দ্ৰকান্ত সন্দিকৈ ভৱন) সংসদৰ কাম-কাজ সংযুক্ত হৈ থাকিব।

(ছ) ৰাজ্যৰ বাহিৰত বা ভিতৰত ভাষাজ্ঞান পৰীক্ষা কেন্দ্ৰ বা ভাষা-শিক্ষা শ্ৰেণী স্থাপন কৰিলে সংসদে কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন লৈ অস্থায়ীভাৱে এখন উপ-সমিতি গঠন কৰি তেনে কেন্দ্ৰ পৰিচালনা কৰিব।

## দ্বাদশ ছেদ ঃ আদৰণী সমিতি

৪৩। অধিৱেশন বহিব লগা ঠাইত অধিৱেশনৰ কাম চলাবলৈ এখনি আদৰণী সমিতি গঠন কৰা হ'ব।

৪৪। প্ৰতি বছৰৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত বা বিশেষ আৱশ্যক বুজি আন সময়তো অধিৱেশন বহিব পাৰিব। আদৰণী সমিতিৰ লগত আলোচনা কৰি কাৰ্যনিৰ্বাহক সামিতিয়ে অধিৱেশনৰ দিন স্থিৰ কৰিব।

৪৫। (ক) অধিৱেশন বহুওৱা বিষয়ৰ সকলো কাম-কাজৰ খৰচৰ ভাৰ আৰু সেই অধিৱেশনৰ সভাপতি, উদ্বোধক, মুখ্য অতিথি, বিশিষ্ট অতিথি, বিশেষভাবে আমন্ত্ৰিত অতিথি, বিশিষ্ট বক্তা, বিষয়ববীয়সহ কাৰ্যনিৰ্বাহকৰ সদস্য আৰু অধিৱেশনৰ কামত কেন্দ্ৰীয় সমিতিয়ে নিয়োগ কৰা সহায়ক আৰু কৰ্মচাৰী, সভাৰ বঁটা প্ৰাপকসকলৰ ব্যয় আদৰণী সমিতিয়ে বহন কৰিব লাগিব। লগতে অতিথিসকলৰ ভাষণ ছপোৱা, ভ্ৰমণ আৰু অৱস্থান ব্যয়ো আদৰণী সমিতিয়ে বহন কৰিব লাগিব।

(খ)আদৰণী সমিতিত সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ২ গৰাকী মনোনীত প্ৰতিনিধি থাকিব। তেওঁলোকৰ ভ্ৰমণ ব্যয় আদৰণী সমিতিয়ে বহন কৰিব লাগিব।

৪৬। (ক) বাৰ্ষিক অধিৱেশনৰ লগতে আদৰণী সমিতিয়ে সাহিত্য সম্বন্ধীয় আলোচনা চক্ৰ পাতিব লাগিব। আলোচনা চক্ৰৰ বিষয় কাৰ্যনিৰ্বাহক সমিতিয়ে অধিৱেশনৰ আগতে নিৰ্ধাৰণ কৰি দিব।

(খ) ইয়াৰ বাহিৰেও আদৰণী সমিতিয়ে কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শ অনুযায়ী সংস্কৃতি, বুৰঞ্জী, বিজ্ঞান, দৰ্শন, কবিতা, ভাষা আদি বিষয়ৰ শাখা সন্মিলন আৰু পুথি প্ৰদৰ্শনী আদি পাতিব লাগিব।

৪৭। (ক) অধিৱেশনৰ সকলো কাৰ্য-ক্ৰমণিকা আদৰণী সমিতিৰ লগত আলোচনা কৰি কাৰ্যনিৰ্বাহক সমিতিয়ে নিৰ্ধাৰণ কৰিব। প্ৰয়োজন হ'লে কাৰ্য-ক্ৰমণিকা সালসলনি কৰাৰ অধিকাৰ কাৰ্যনিৰ্বাহক সমিতিৰ থাকিব।

(খ) কাৰ্যনিৰ্বাহক সমিতিয়ে অধিৱেশনৰ উদ্বোধক, মুখ্য অতিথি আৰু শাখা সন্মিলনসমূহৰ সভাপতি আৰু নিৰ্দিষ্ট বক্তা আদি স্থিৰ কৰিব। বিশিষ্ট সাহিত্যিককহে মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰিব। এই ক্ষেত্ৰত কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

(গ) যি শাখাই অধিৱেশন আহ্বান কৰে সেই শাখাই সংশ্লিষ্ট জিলা সভাৰ অনুমোদন লৈ অধিৱেশন আহ্বান কৰিব লাগিব।

(ঘ) অধিৱেশনৰ বাবে সংগৃহীত মুঠ ধনৰ অন্যূন শতকৰা ৩ (তিনি) ভাগ আদৰণী সমিতিয়ে সভাৰ জাতীয় ন্যায় পুঁজিৰ হিচাপত জমা দিব লাগিব।

(ঙ) অধিৱেশন যি শাখা সভাই নিমন্ত্ৰণ কৰে সেই শাখাই নিমন্ত্ৰণ জনোৱাৰ সময়তে স্থান সম্পৰ্কেও আৱশ্যকীয় তথ্য প্ৰদান কৰিব লাগিব আৰু সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰতিনিধিয়ে সকলো দিশ বিবেচনা কৰি দিয়া পৰামৰ্শৰ ভিত্তিত স্থান নিৰ্ণয় হ'ব। এই পৰামৰ্শ অৱশ্যে পালনীয় হ'ব। অন্যথা সংশ্লিষ্ট শাখা সভাৰ নিমন্ত্ৰণ কাৰ্যনিৰ্বাহক সমিতিয়ে নাকচ কৰাৰ অধিকাৰ সংৰক্ষিত হৈ থাকিব।

## ত্ৰয়োদশ ছেদ ঃ প্ৰতিনিধি সভা

৪৮। (ক) ওপৰৰ ৪২, ৪২ (১) আৰু এই ৪৮ বিধি অনুসাৰে প্ৰতিনিধি সভা গঠিত হ'ব। অধিৱেশনৰ অন্ততঃ এদিনৰ আগতে কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া আৰু সদস্য, জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকসকল, প্ৰত্যেক শাখা সভাৰ প্ৰতিনিধি, আদৰণী সমিতিৰ কাৰ্যকৰী সমিতিৰ তিনিগৰাকী প্ৰতিনিধি, মূল সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক, আজীৱন সভ্যৰ নিৰ্বাচিত প্ৰতিনিধি, সন্মানীয় হিতৈষী সদস্য আৰু হিতৈষী সদস্যৰ প্ৰতিনিধিক লৈ প্ৰতিনিধি সভা বহিব। এই সভাত সভাপতিয়ে সভাপতিত্ব কৰিব। কিন্তু বিশেষ কাৰণত সভাপতি উপস্থিত থাকিব নোৱাৰিলে উপ-সভাপতি আৰু উপ-সভাপতিৰ অনুপস্থিতিত বা অপাৰগতাত সভাৰ প্ৰাক্তন সভাপতি/ উপ-সভাপতি অথবা প্ৰাক্তন প্ৰধান সম্পাদকৰ পৰা যিকোনো এজন সভাপতি নিৰ্বাচিত হ'ব। প্ৰতিনিধি সভাই গ্ৰহণ কৰিবলগীয়া যিকোনো সিদ্ধান্তৰ ক্ষেত্ৰত সভাপতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(খ) প্ৰতিনিধি সভা আৰু এই সভা পৰিচালনাৰ বাবে গৃহীত ‘উপবিধি’ অনুসৰি পৰিচালিত হ’ব। (দ্ৰষ্টব্য ঃ উপবিধি)

৪৯। এই প্ৰতিনিধি সভাত সভাৰ প্ৰতিনিধিৰ বাহিৰে আনে যোগ দিব নোৱাৰিব। বিশেষ পৰিস্থিতিৰ উদ্ভৱ হ’লে অধিৱেশনত যোগদান কৰিবলৈ অহা প্ৰতিনিধিসকলক প্ৰধান সম্পাদকৰ স্বাক্ষৰ থকা একোখন ‘পৰিচয়পত্ৰ’ দিব। প্ৰতিনিধি সভাত প্ৰৱেশ কৰোতে এই ‘পৰিচয়পত্ৰ’ প্ৰৱেশদ্বাৰত প্ৰতিনিধিসকলে দেখুৱাব লাগিব।

৫০। সভাৰ সভ্য, শাখা সভা, জিলা সভা আৰু আদৰণী সমিতিয়ে অধিৱেশনত উত্থাপনৰ বাবে প্ৰস্তাৱ পঠাব পাৰিব। এনে প্ৰস্তাৱ অধিৱেশনৰ অন্ততঃ এমাহ আগতে প্ৰধান সম্পাদকৰ হাতত পৰিব লাগিব।

৫১। প্ৰধান সম্পাদকে অধিৱেশনলৈ পঠোৱা প্ৰস্তাৱ বিষয় অনুসাৰে জুকিয়াই এখনি সূচীৰে সৈতে কাৰ্যনিৰ্বাহক সমিতিৰ যোগেদি প্ৰতিনিধি সভাত উপস্থাপন কৰিব পৰাকৈ এখনি ৩ (তিনি) জনীয়া সমিতি গঠন কৰি দিব।

৫২। কাৰ্যনিৰ্বাহক সভাযোগে নহা কোনো প্ৰস্তাৱ আৰু প্ৰতিনিধি সভাত গৃহীত নোহোৱা কোনো প্ৰস্তাৱ মুকলি অধিৱেশনত উত্থাপিত হ’ব নোৱাৰিব; কিন্তু বিষয়ৰ গুৰুত্ব বুজি সভাপতিয়ে এই নিয়মৰ ব্যতিক্ৰম কৰিব পাৰিব।

৫৩। (ক) সভাৰ নিয়মাৱলী এবাৰ সংশোধন কৰাৰ পিছত একেৰাহে ৪ (চাৰি) বছৰলৈ সংশোধিত নহ’ব।

(খ) এবাৰ সংশোধিত হোৱাৰ পৰা প্ৰতি চতুৰ্থ বছৰ নিয়মাৱলী সংশোধনৰ বাবে সভাৰ সকলো স্তৰৰ সভ্য/সদস্য, শাখা সভা আৰু জিলা সাহিত্য সভাই সেই বছৰৰ ৩১ জুলাইৰ ভিতৰত প্ৰধান সম্পাদকলৈ নিজৰ নিজৰ প্ৰস্তাৱ পঠাব পাৰিব।

(গ) কাৰ্যনিৰ্বাহক সমিতিয়ে সংশ্লিষ্ট বছৰত নিয়মাৱলী সংশোধনৰ বাবে এখন ৫ জনীয়া উপ-সমিতি গঠন কৰি দিব। প্ৰধান সম্পাদকে ৩০ ছেপ্টেম্বৰৰ ভিতৰত সকলো স্তৰৰ সভ্য/সদস্য, জিলা আৰু শাখা সভাসমূহৰ পৰা অহা সংশোধনী আদি উপ-সমিতিত উত্থাপন কৰিব। উপ-সমিতিয়েও সংশোধনী প্ৰস্তাৱ আনিব পাৰিব। এই সমিতিয়ে সকলো সংশোধনী প্ৰস্তাৱ জুকিয়াই প্ৰস্তুত কৰি দিব আৰু প্ৰধান সম্পাদকে এই প্ৰস্তাৱসমূহ পৰৱৰ্তী কাৰ্যনিৰ্বাহকত উত্থাপন কৰিব। কাৰ্যনিৰ্বাহকৰ অনুমোদনৰ পিছত উক্ত প্ৰস্তাৱসমূহ প্ৰধান সম্পাদকে প্ৰতিনিধি সভাত উত্থাপন কৰিব। প্ৰতিনিধি সভাত দুই তৃতীয়াংশ সভ্যৰ সমৰ্থন পালে উক্ত সংশোধনসমূহ গৃহীত হ’ব আৰু সেই দিনাৰ পৰাই ই কাৰ্যকৰী হ’ব। কাৰ্যনিৰ্বাহক সভাই বিশেষ অৱস্থাত প্ৰস্তাৱযোগে কোনো সিদ্ধান্ত ল’লে সেই প্ৰস্তাৱ সভাৰ সেই কাৰ্যকালৰ বাবেহে কাৰ্যকৰী হ’ব।

৫৪। ভাষাৰ বৰ্ণমালা, ব্যাকৰণ বা অভিধান প্ৰৱৰ্তন সম্বন্ধে কোনো প্ৰস্তাৱ কাৰ্যনিৰ্বাহক সমিতিয়ে ল’লে, ‘বিশেষজ্ঞ সমিতি’ৰ দ্বাৰা পৰীক্ষা কৰাই চূড়ান্ত ৰূপ প্ৰতিনিধি সভাত উত্থাপন কৰিব পাৰিব।

## চতুৰ্দশ ছেদ ঃ বিত্তীয় বিধি

৫৫। (ক) সভাই দান আৰু বৰঙণি গ্ৰহণ কৰিব আৰু সম্পত্তি আৰ্জিব পাৰিব।

(খ) আজীৱন সভ্যৰ বৰঙণিৰে এটি সাঁচতীয়া পুঁজি গঠিত হ’ব আৰু তাৰ সুতহে সভাৰ সাধাৰণ পুঁজিৰ যোগে ব্যয় কৰিব পাৰিব।

(গ) সভাই গ্ৰহণ কৰা যিকোনো ন্যাস পুঁজিৰ মূলধন অন্যূন ১,০০,০০০.০০ (এক লাখ) টকা হ’ব লাগিব।

(ঘ) কাৰ্যনিৰ্বাহক সমিতিৰ অধীনত প্ৰধান সম্পাদকেই সভাৰ সকলো সম্পত্তি আৰু ন্যস্ত অৰ্থৰ অৰক্ষক হ’ব। তেওঁ সভাৰ সকলো হিচাপ-পত্ৰ ৰাখিব আৰু ধনভঁৰালীৰ লগত আলোচনাক্ৰমে বছৰেকীয়া আয়-ব্যয়ৰ হিচাপ প্ৰস্তুত কৰি কাৰ্যনিৰ্বাহক সমিতি, প্ৰতিনিধি সভাত দাখিল কৰাৰ ব্যৱস্থা কৰিব লাগিব।

(ঙ) প্ৰধান সম্পাদকে অধিৱেশনৰ আগতে বছৰেকীয়া প্ৰতিবেদন আৰু পূৰ্বৰ বছৰৰ আয়-ব্যয়ৰ হিচাপ কাৰ্যনিৰ্বাহক সমিতিৰ যোগেদি প্ৰতিনিধি সভাত গৃহীত কৰাই ল’ব।

৫৬। সভাই পোৱা সকলো টকা আৰু সম্পত্তিৰ বাবে সভাৰ ছপা প্ৰ-পত্ৰত ৰছিদ দিব আৰু সকলো সম্পত্তিৰ লিখিত বিৱৰণসহ তালিকা ৰাখিব লাগিব।

৫৭। প্ৰধান সম্পাদকে সভাৰ আয়-ব্যয়ৰ হিচাপ নিৰ্দিষ্ট প্ৰ-পত্ৰত ৰাখিব লাগিব আৰু কাৰ্যনিৰ্বাহক সমিতিৰ নিৰ্দেশমতে ৰাষ্ট্ৰীকৃতকে ধৰি যিকোনো বেংক, ডাকঘৰ বা তেনে ধৰণৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠানত টকা জমা থ’ব। বেংকৰ টকা উলিয়াবলৈ ধনভঁৰালী আৰু প্ৰধান সম্পাদকে যুটীয়াভাৱে চহী কৰিব লাগিব।

৫৮। প্ৰধান সম্পাদকে ৰছিদ দি টকা গ্ৰহণ কৰিব আৰু প্ৰথম সুযোগতে সেই টকা বেংক আদিলৈ পঠাব।

৫৯। সভাৰ সকলো খৰচ প্ৰধান সম্পাদকৰ হাতেদি হ’ব আৰু সাধাৰণ খৰচৰ কাৰণে প্ৰধান সম্পাদকৰ হাতত ১,০০০.০০ (এহেজাৰ) টকালৈকে ৰাখিব পাৰিব। পুনৰ টকাৰ আৱশ্যক হ’লে প্ৰধান সম্পাদকে আগৰ খৰচৰ হিচাপ কাৰ্যালয়ক দি সভাৰ ছপা প্ৰ-পত্ৰত বিল কৰি টকা ল’ব পাৰিব।

৬০। টকাৰ আৱশ্যক হ’লে চেক্ চহী কৰাবলৈ ধনভঁৰালীলৈ পঠাওঁতে লগত প্ৰধান সম্পাদকে বেংকৰ তহবিল, চেক্ নম্বৰ আদি দি পঠাব লাগিব। ধনভঁৰালীয়ে বহীত আৰু চেকত চহী কৰিব।

৬১। প্ৰতি চৰকাৰী বিত্তীয় বছৰৰ আৰম্ভণিৰ আগতে প্ৰধান সম্পদকে ধনভঁৰালীৰ লগত পৰামৰ্শ কৰি আগন্তুক বছৰটোৰ আয়-ব্যয়ৰ বাজেট কাৰ্যনিৰ্বাহক সমিতিত মঞ্জুৰ কৰাই লৈ সেই

অনুসাৰে খৰচ কৰিব। কাৰ্যনিৰ্বাহক সমিতিয়ে ইয়াৰ উপৰি আৱশ্যকীয় খৰচ মঞ্জুৰ কৰিব পাৰিব।

৬২। বাৰ্ষিক অধিৱেশনৰ সময়ত আগৰ বছৰৰ আয়-ব্যয়ৰ হিচাপ কাৰ্যনিৰ্বাহক সমিতিত প্ৰধান সম্পাদকৰ হৈ ধনভঁৰালীয়ে দাখিল কৰিব লাগিব। কিন্তু আয়-ব্যয়ৰ হিচাপৰ বাবে প্ৰধান সম্পাদকৰ লগতে ধনভঁৰালীও দায়বদ্ধ হ'ব।

৬৩। সাধাৰণতে বাজেটৰ কোনো শিতানত গৃহীত সীমা অতিক্ৰম কৰি ব্যয় কৰিব নোৱাৰিব; কিন্তু অনিবাৰ্য কাৰণত তেনে কৰিব লগা হ'লে সভাপতি অথবা উপ-সভাপতিৰ অনুমতি ক্ৰমেহে পাৰিব। এনেক্ষেত্ৰত পৰৱৰ্তী কাৰ্যনিৰ্বাহকৰ বৈঠকত বাজেটৰ শিতান সলনিৰ (Re-appropriation) অনুমোদন কৰাব।

৬৪। প্ৰধান সম্পাদকে তলত নাম দিয়া বহীবিলাক ৰাখিব ঃ ১। সাধাৰণ ৰোকৰ বহী, ২। দৰমহা আদি দিয়া বহী (Accquitance Roll), ৩। ৰছিদ নথি, ৪। দেয়কৰ নথি, ৫। হিচাপ পৰিদৰ্শনৰ টোকাৰ নথি (Audit Notes), ৬। ন্যাস পুঁজিৰ হিচাপ, ৭। খতিয়ান (Ledger)। সভাৰ সকলো কাকত-পত্ৰ, হিচাপৰ বহী, চৰকাৰী অনুদান বা লেনদেনৰ কাকত-পত্ৰ, আঁচনি, বাজেট আদি কেন্দ্ৰীয় কাৰ্যালয়ত ৰক্ষিত হ'ব আৰু প্ৰত্যেকৰে প্ৰতিলিপি গুৱাহাটী কাৰ্যালয়তো ৰাখিব পাৰিব।

৬৫। প্ৰধান সম্পাদকে খুচুৰা খৰচৰ বহী ৰাখিব লাগিব।

৬৬। কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলে আৰু কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা বিশেষ কামত নিযুক্ত লোকে সভাৰ কামত ভ্ৰমণ কৰিলে তলত দিয়া নিৰিখত ভ্ৰমণ বানচ পাব ঃ

(ক) ৰে'লৰ দ্বিতীয় শ্ৰেণীৰ ভাড়াৰ ডেৰগুণ,

(খ) পৰিবহণৰ ব্যৱস্থা থকা পথত ডেৰগুণ ভাড়া,

(গ) ৰে'ল বা পৰিবহণৰ ব্যৱস্থা নথকা পথত কিলোমিটাৰত ২.০০ (দুই) টকাকৈ,

(ঘ) কামত থকা কালত দৈনিক ভাট্টা ১০০.০০ (এশ) টকা হাৰে পাব।

(ঙ) সভাৰ কৰ্মচাৰীসকলে ভ্ৰমণৰ প্ৰকৃত ব্যয় আৰু দৈনিক ভাট্টা ৭০.০০ (সত্তৰ) টকা হাৰে পাব।

৬৭। সভাৰ নামত ভ্ৰমণ কৰিবলৈ হ'লে কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন সাপেক্ষে প্ৰধান সম্পাদকৰ আমন্ত্ৰণ নাইবা আগতীয়া অনুমতি পাব লাগিব। জাতীয় ন্যাস পুঁজিৰ সংগ্ৰহৰ ক্ষেত্ৰত প্ৰধান সম্পাদকৰ অনুমতিত ভ্ৰমণ কৰিব পাৰিব।

৬৮। (ক) মূল সভাই অৰ্জা কোনো সম্পত্তিৰ ওপৰত শাখাৰ বা জিলা সাহিত্য সভাৰ কোনো স্বত্ব নাথাকিব। শাখা সভা আৰু জিলা সাহিত্য সভাই অৰ্জা সম্পত্তিৰ ওপৰত নিয়মাৱলীৰ ৫, ৬ (খ) ৩০ (ড) ৩১ (গ) অনুসৰি মূল সভাৰ স্বত্ব থাকিব। কোনো শাখা বা জিলা সাহিত্য সভাৰ যদি অবলুপ্তি ঘটে বা নিষ্ক্ৰিয় হয় বা কোনো বিবাদ হয় সেই শাখা বা জিলা সভাৰ নামত থকা সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি উল্লিখিত বিধিৰ অধিকাৰ অনুসৰি মূল সভাৰ অধিকাৰলৈ আহিব।

(গ) শাখা সভা বা জিলা সাহিত্য সভাই নিজৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ অৰক্ষণৰ বাবে মূল সভাৰ নিৰ্দেশ অনুসৰি ব্যৱস্থা ল'ব লাগিব। এনে অৰক্ষণৰ বাবে গঠিত সমিতিত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক অথবা কাৰ্যনিৰ্বাহকে মনোনীত কৰা এজন সদস্য পদেন সদস্য হিচাপে থাকিব।

৬৯। (ক) টকা-পইচা, হিচাপ-পত্ৰ বছৰেকত এবাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে এগৰাকী চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ উপৰি প্ৰতি ৩ (তিনি) মাহৰ মূৰে মূৰে ২ (দুই) গৰাকী অভিজ্ঞ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ হতুৱাই পৰীক্ষা (Audit) কৰাই ল'ব। প্ৰত্যেক বছৰে চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ যোগেদি 'আয়কৰ প্ৰতিবেদন' দিব লাগিব। লগতে আয়কৰ আইনমতে আয়কৰ ৰেহাইৰ ব্যৱস্থা চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ যোগেদি কৰাই ল'ব। আভ্যন্তৰীণ হিচাপ-পৰীক্ষকৰ হিচাপৰ প্ৰতিলিপি কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকৰ আগতে সমিতিৰ সদস্যসকললৈ পঠিয়াব লাগিব।

(খ) জাতীয় ন্যাসৰ যিকোনো পুঁজিৰ পৰা ঋণ দিয়াৰ অধিকাৰ কাৰ্যনিৰ্বাহক সমিতি বা ন্যাসৰক্ষী সমিতিৰ নাথাকিব।

(গ) সভাৰ নিৰ্দিষ্ট শিতানত নিৰ্ধাৰিত কৰি লোৱা ধন আন শিতানত ব্যয় কৰিব নোৱাৰিব।

## পঞ্চদশ ছেদ ঃ নিৰ্বাচন বিধি

৭০। (ক) সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ বাবে কাৰ্যনিৰ্বাহক সমিতিৰ দ্বিতীয় বছৰৰ প্ৰথম বৈঠকে এগৰাকী 'নিৰ্বাচনী বিষয়া' মনোনীত কৰিব। তেওঁ সভাৰ কাৰ্য নিৰ্বাহক সভাৰ সদস্যসকলৰ মাজৰ পৰা হ'ব আৰু তেওঁৰ আইনৰ জ্ঞান থকা বাঞ্ছনীয়। নিৰ্বাচনী বিষয়াই প্ৰধান সম্পাদকৰ মাধ্যমেৰে সক্ৰিয় জিলা আৰু শাখা সাহিত্য সভা সমূহৰ তালিকা সভাৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি নিজস্বভাৱে পূৰ্ণাংগ তালিকা প্ৰস্তুত কৰিব। তেওঁ প্ৰস্তাৱৰ প্ৰ-পত্ৰ আদি প্ৰস্তুত কৰি প্ৰতিখনতে স্বাক্ষৰ কৰি পঞ্জীয়নৰ মাধ্যমেৰেহে নিৰ্বাচন পৰিচালনা কৰিব। এই ক্ষেত্ৰত তেওঁ প্ৰয়োজন সাপেক্ষে সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ পৰামৰ্শ গ্ৰহণ কৰিব। নিৰ্বাচন কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে নিৰ্বাচনী বিষয়াই প্ৰয়োজন অনুসৰি সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ লগত পৰামৰ্শ কৰি প্ৰয়োজন সাপেক্ষে কোনো ব্যক্তিক সহযোগী হিচাপে ল'ব পাৰিব। সেইসকল কাৰ্যনিৰ্বাহকৰ সদস্য বা বিশেষভাৱে আমন্ত্ৰিত সদস্য হ'ব লাগিব। কিন্তু এই সংখ্যা চাৰিগৰাকীৰ অধিক হ'ব নোৱাৰিব।

(খ) নিৰ্বাচনৰ সকলো কাৰ্য সম্পূৰ্ণ গোপনীয় আৰু ই নিৰ্বাচনী বিষয়াৰ এক্তিয়াৰৰ ভিতৰত হ'ব।

(গ) সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ক্ষেত্ৰত ক্ৰমে দশম আৰু একাদশ ছেদৰ ৩৮, ৩৯, ৪২ (১), ৪২ (২) সংখ্যক বিধি আৰু ৪২,(৩) সংখ্যক বিধি প্ৰযোজ্য হৈছে নে নাই সেইটো নিৰ্বাচনী বিষয়াই পৰীক্ষা কৰিব। তদুপৰি নিয়মাৱলীৰ ১৩ ছেদ আৰু

২৪ ছেদ অনুসৰি তেওঁলোকৰ বিষয়ে সকলো দিশ পৰীক্ষা কৰি ল'ব।

(ঘ) নিৰ্বাচনী বিষয়া আৰু সহযোগীসকল মনোনীত হোৱাৰ পিছত তেওঁলোকৰ নাম প্ৰস্তাৱিত হ'ব নোৱাৰিব।

(ঙ) নিৰ্বাচন সংক্ৰান্তীয় সকলো বিষয়ৰ বাবে নিৰ্বাচনী বিষয়া দায়বদ্ধ হ'ব আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি বিবেচিত হ'ব।

(চ) সমানসংখ্যক প্ৰস্তাৱৰ ক্ষেত্ৰত নিৰ্বাচনী বিষয়াই লটাৰীৰ যোগেদি সিদ্ধান্ত গ্ৰহণ কৰিব।

৭১। সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ক্ষেত্ৰত জিলা সভা, শাখা সভাৰ লগতে আদৰণী সমিতিয়ে পঠোৱা প্ৰস্তাৱসমূহ গোপনীয়ভাৱে ডাকযোগে পঠাবলগীয়া লেফাফাবোৰ ডাকঘৰৰ এটা বাকচ (Post-Box)ত জমা হ'ব। এই লেফাফাবোৰৰ ওপৰত কেৱল বাকচ (Post-Box)ৰ নম্বৰ আৰু ডাকঘৰৰ পিন নম্বৰহে থাকিব। লেফাফাবোৰৰ ওপৰত 'গোপনীয়' বুলিও লিখা নাথাকিব। নিৰ্ধাৰিত তাৰিখৰ ভিতৰত বাকচ (Post-Box)টো তলা মাৰি, ছীল কৰি সেই তলাৰ চাবি একমাত্ৰ নিৰ্বাচনী বিষয়াৰ হাততহে থাকিব। নিৰ্বাচনী বিষয়াই বাকচ (Post-Box)ৰ বাবে সময়মতে কেন্দ্ৰীয় কাৰ্যালয় অথবা গুৱাহাটী কাৰ্যালয়ৰ এলেকাধীন মূল ডাকঘৰত ব্যৱস্থা কৰি ল'ব।

৭২। নিৰ্বাচনী বিষয়াই তেওঁৰ সহযোগীসকলৰ সহযোগত সপ্তম কাৰ্যনিৰ্বাহকৰ আগেয়ে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ সভাত সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ পদৰ বাবে অহা প্ৰস্তাৱসমূহ বাকচ (Post-Box) খুলিব। ইয়াৰ বাবে এটি কোঠা বাছি ল'ব। নিৰ্বাচনী বিষয়াই সহযোগীসকলৰ সৈতে শাখা, জিলা আৰু আদৰণী সমিতিৰ পৰা পোৱা প্ৰস্তাৱসমূহ গণনা কৰি ক্ৰম অনুসৰি সৰ্বাধিক সমৰ্থন লাভ কৰা পাঁচগৰাকী ব্যক্তিৰ একোখনকৈ তালিকা প্ৰস্তুত কৰি গোপনীয়ভাৱে সভাপতিৰ হাতত দাখিল কৰিব। সভাপতিয়ে উপ-সভাপতি, প্ৰধান সম্পাদক আৰু নিৰ্বাচনী বিষয়াৰ উপস্থিতিত উক্ত তালিকা খুলি প্ৰধান সম্পাদকৰ মাধ্যমেৰে ক্ৰম অনুসৰি প্ৰস্তাৱিত ব্যক্তিসকলৰ সন্মতি লৈ নিৰ্বাচনী বিষয়াক দাখিল কৰিব। সপ্তম কাৰ্যনিৰ্বাহক সভাত নিৰ্বাচিত সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নাম নিৰ্বাচনী বিষয়াই ঘোষণা কৰিব।

(৭৩) সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকে কোনো কাৰণতেই পদত্যাগ কৰিব নোৱাৰিব।

## আইন অনুশাসন

৭৪। অসম সাহিত্য সভাৰ হকে বা বিৰুদ্ধে যি কোনো গোচৰ বা মোকৰ্দমাৰ কাৰণ উদ্ভৱ হ'লে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ এলেকাধীন স্থান যোৰহাট মোকৰ্দমাৰ অধিক্ষেত্ৰ হ'ব।

৭৫। শাখা সভা আৰু জিলা সভাৰ হ'কে বা বিৰুদ্ধে গোচৰ বা মোকৰ্দমাৰ কাৰণ উদ্ভৱ হ'লে সেই

এলেকাৰ জিলা বা মহকুমা মোকৰ্দমাৰ অধিক্ষেত্ৰ হ'ব।

৭৬। সকলো ধৰণৰ স্থাৱৰ বা অস্থাৱৰ সম্পত্তি, প্ৰকাশন, বিত্তীয় খেলিমেলি, বিশ্বাসঘাতকতা, প্ৰৱঞ্চনাৰ অভিযোগ, অপৰাধ আদি ভাৰতীয় দণ্ড সংহিতাৰ আওতাত পৰিব। প্ৰধান সম্পাদকে মূল সভাৰ হৈ সভা অথবা জিলা আৰু শাখা সভাৰ হৈ সম্পাদকে গোচৰ তৰা বা প্ৰতিৰক্ষাৰ দায়িত্বত থাকিব। প্ৰধান সম্পাদকৰ বিৰুদ্ধে মোকৰ্দমা বা গোচৰ হ'লে কাৰ্যনিৰ্বাহক সমিতি দায়িত্বত থাকিব।

৭৭। অভিযুক্ত সভ্যৰ বিৰুদ্ধে উত্থাপিত অভিযোগ প্ৰমাণিত হ'লে অনুশাসনকে ধৰি নিলম্বন, বহিষ্কৰণ আদিৰ সকলো ব্যৱস্থা কাৰ্যনিৰ্বাহক সমিতিয়ে ল'ব পাৰিব।

## বিবিধ

৭৮। সভাৰ কোনো বিষয়ববীয়াই পদত্যাগ কৰিব খুজিলে সভাপতিলৈ পদত্যাগ পত্ৰ পঠাব লাগিব। পদত্যাগ গ্ৰহণ কৰাৰ ক্ষমতা কাৰ্যনিৰ্বাহক সমিতিৰ থাকিব। কিন্তু বিশেষ পৰিস্থিতি আৰু অনিবাৰ্য কাৰণত আৱশ্যকবোধ কৰিলে সভাপতিয়েও সেই পদত্যাগ পত্ৰ গ্ৰহণ কৰিব পাৰিব, কিন্তু কাৰ্যনিৰ্বাহক সমিতিৰ পৰৱৰ্তী বৈঠকত অনুমোদন কৰি লব লাগিব।

৭৯। সভাপতি আৰু প্ৰধান সম্পাদকৰ বাহিৰে আন কোনো স্তৰৰ সভ্য/সদস্য বা বিষয়ববীয়াই সভাৰ নামত কোনো লিখিত বা মৌখিক বিবৃতি দিব নোৱাৰিব। কিন্তু সভাপতিৰ পৰামৰ্শমৰ্মে উপ-সভাপতিয়ে লিখিত বা মৌখিক বিবৃতি আদি দিব পাৰিব। সভাই আহ্বান কৰা সংবাদ মেলত সভাৰ হকে সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদককেহে কেৱল বিষয় আদি উত্থাপন আৰু ব্যাখ্যা দাঙি ধৰিব পাৰিব।

৮০। (ক) মূল সভা, জিলা বা শাখা সভাৰ কোনো বিষয়ববীয়াই ৰাজনৈতিক বিষয়বাবৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব। এনে কৰিবলগীয়া হ'লে আগতীয়াকৈ বিষয়বাব ত্যাগ কৰিব লাগিব। অন্যথা মূল সভাই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(খ) মূল সভা, জিলা বা শাখা সভাৰ কোনো বিষয়ববীয়াই ৰাজনৈতিক দলৰ হকে প্ৰচাৰ কাৰ্যত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰিব। অন্যথাই মূল সভাই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

## উপবিধি

**(ক) প্ৰতিনিধি সভা পৰিচালনাৰ বিধি**

১। সভাৰ বিধিসন্মত প্ৰতিনিধিসকলৰহে এই সভা। দৰ্শক প্ৰতিনিধি বা দৰ্শক উপস্থিত থকাৰ, আলোচনাত অংশ লোৱাৰ, মতামত দিয়াৰ কোনো অধিকাৰ নাথাকিব।

২। কোনো প্ৰতিনিধিয়ে প্ৰশ্ন কৰিব খুজিলে লিখিতভাৱে দিব লাগিব।

৩। পৰিপূৰক প্ৰশ্ন মুখেৰে কৰিব পাৰিব।

৪। এজন সদস্যক ২ টাতকৈ অধিক পৰিপূৰক প্ৰশ্ন কৰিবলৈ দিয়া নহ'ব।

৫। প্ৰতিনিধিয়ে ২ মিনিটৰ পৰা ৫ মিনিটৰ ভিতৰত প্ৰশ্ন কৰা বা মন্তব্য কৰা কাম শেষ কৰিব লাগিব।

৬। ওপৰা-উপৰিকৈ কৰা প্ৰশ্নৰ উত্তৰ দিয়া নহ'ব।

৭। এবাৰ উত্তৰ দিয়া কোনো প্ৰশ্নৰ দ্বিতীয়বাৰ উত্তৰ দিয়া নহ'ব।

৮। এবাৰ সিদ্ধান্ত হোৱা কোনো বিষয় কোনো প্ৰতিনিধিক পুনৰ উত্থাপন কৰিবলৈ দিয়া নহ'ব।

৯। গৰিষ্ঠ সংখ্যকৰ মতেই গৃহীত মত হ'ব; লঘিষ্ঠ সংখ্যকে সেই সিদ্ধান্ত মানিব লাগিব।

১০। আলোচনা আদিৰ অন্তত সভাপতিয়ে দিয়া ৰায় চূড়ান্ত বিবেচিত হ'ব।

১১। সভাপতি, উপ-সভাপতি বা প্ৰধান সম্পাদকে দিয়া উত্তৰেই সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ উত্তৰ হ'ব, ইয়াৰ বিকল্প উত্তৰ নাথাকিব।

১২। সভাপতিৰ অনুমতি আৰু প্ৰধান সম্পাদকৰ সন্মতি নহ'লে আন কোনেও উত্তৰ দিব নোৱাৰিব।

১৩। কোনো সদস্যই যুক্তি প্ৰদৰ্শন কৰিবলৈ গৈ কাকো ব্যক্তিগতভাৱে আক্ৰমণ কৰি কথা ক'ব নোৱাৰিব।

১৪। কোনো সদস্যই অশালীন শব্দ প্ৰয়োগ বা অশিষ্ট আচৰণ কৰিব নোৱাৰিব। তেনে দেখিলে সভাপতিয়ে তেনে সদস্যক বিতৰ্কত অংশ লোৱাৰ পৰা বিৰত ৰাখিব পাৰিব।

১৫। প্ৰতিনিধি সভা প্ৰথম আৰম্ভ হোৱাৰ সময়ত উপস্থিত থকা সদস্যসকলক পৰৱৰ্তী সময়ছোৱাত উপস্থিত থকা বুলি ধৰি লোৱা হ'ব আৰু প্ৰতিনিধি সভাৰ কাৰ্যসূচীৰ ধাৰাবাহিকতা ৰক্ষা কৰি পৰিচালনা কৰা হ'ব। কোনো সদস্যৰ অনুপস্থিতিত গৃহীত কোনো সিদ্ধান্তৰ বিৰুদ্ধে অনুপস্থিত সদস্যৰ কোনো যুক্তি গ্ৰহণীয় নহ'ব।

১৬। বিশেষ অৱস্থাত সভাপতিয়ে প্ৰতিনিধি সভা স্থগিত ৰাখিব পাৰিব বা কাৰ্যসূচীৰ আগ-পিছ বা সময়ৰ সাল-সলনি কৰিব পাৰিব।

১৭। প্ৰতিনিধি সভাত গৃহীত সিদ্ধান্তসমূহৰ বাহিৰে সভাই দিয়া পৰামৰ্শসমূহ কাৰ্যনিৰ্বাহক সমিতিৰ বাবে কাৰ্যকৰী কৰাত বাধ্য-বাধকতা নাথাকিব।

## (খ) আদৰণী সমিতি

১। (ক) অধিৱেশন নিমন্ত্ৰণৰ ক্ৰমে ৪ মাহ আৰু ৬ মাহৰ ভিতৰত নিমন্ত্ৰণ কৰা শাখা সভাই নিয়মিতৰূপে জাননী দি এখন 'প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভা' পাতি ক্ৰমে বিশেষ বাৰ্ষিক অধিৱেশন তথা দ্বি-বাৰ্ষিক অধিৱেশনৰ 'আদৰণী সমিতি' গঠন কৰিব। আদৰণী সমিতিত এগৰাকী সভাপতি, এগৰাকী কাৰ্যকৰী সভাপতি, প্ৰয়োজন সাপেক্ষে উপ-সভাপতি, এগৰাকী সাধাৰণ সম্পাদক, সৰ্বাধিক তিনিগৰাকী যুটীয়া সম্পাদক, এগৰাকী কোষাধ্যক্ষ, দুগৰাকী হিচাপ পৰীক্ষক আৰু প্ৰয়োজন সাপেক্ষে সহকাৰী সম্পাদক আদি নিৰ্বাচিত কৰিব পাৰিব। কিন্তু তেওঁলোক অসম সাহিত্য সভাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হ'ব লাগিব। আদৰণী সমিতি গঠনৰ বিশেষ সভাত এখন কৰ্ণধাৰ সমিতি গঠন কৰি পৰৱৰ্তী পৰ্যায়ত এই কৰ্ণধাৰ সমিতিয়ে আদৰণী সমিতিৰ উপ-সমিতি আদি গঠন কৰিব। এই কৰ্ণধাৰ সমিতিত আদৰণী সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, এগৰাকী উপ-সভাপতি, সাধাৰণ সম্পাদক, এগৰাকী যুটীয়া সম্পাদক, কোষাধ্যক্ষ, অধিৱেশন আমন্ত্ৰণ কৰা শাখা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক তথা সেই জিলাৰ জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকৰ লগতে আদৰণী সমিতিৰ সদস্যক লৈ গঠিত হ'ব। এই সমিতিত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতি অথবা কৰ্ণধাৰ সমিতিয়ে মনোনীত কৰা দুগৰাকী সদস্য থাকিব। তেওঁলোক আদৰণী সমিতিৰ মূল সভাৰ মনোনীত প্ৰতিনিধিও হ'ব আৰু তেওঁলোকৰ ভ্ৰমণ ব্যয় আদি আদৰণী সমিতিয়ে বহন কৰিব লাগিব। কিন্তু কৰ্ণধাৰ সমিতিৰ সংখ্যা ২১ (একৈছ) গৰাকীতকৈ অধিক হ'ব নোৱাৰিব। কৰ্ণধাৰ সমিতিৰ বৈঠকত আদৰণী সমিতিৰ সভাপতিয়ে, তেওঁৰ অনুপস্থিতিত কাৰ্যকৰী সভাপতিয়ে সভাপতিত্ব কৰিব। সাধাৰণ সম্পাদকে কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰিব। এই বিধি সভাই আয়োজন কৰা যিকোনো অনুষ্ঠান অথবা উদ্‌যাপন সমিতি আদিৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

(খ) আদৰণী সমিতি গঠিত হোৱাৰ লগে লগে আদৰণী সমিতিয়ে সভাৰ নিয়মাৱলীৰ ত্ৰয়োদশ ছেদৰ ৪৫, ৪৬ (ক) (খ), ৪৭ (ক) (খ) (গ) (ঘ) (ঙ) বিধি আৰু উপবিধি (খ)ৰ ১,২,৩ বিধি অনুসৰি কাম কৰাৰ লিখিত প্ৰতিশ্ৰুতি দিব লাগিব আৰু উক্ত দফাসমূহ সামৰি সভাৰ লগত চুক্তি কৰিব লাগিব। এই চুক্তি আদৰণী সমিতিৰ সাধাৰণ সম্পাদক আৰু সভাৰ প্ৰধান সম্পাদকৰ মাজত হ'ব। চুক্তি মূল সভাৰ সভাপতি, উপ-সভাপতি আদিৰ লগতে আদৰণী সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, অধিৱেশন আমন্ত্ৰণ কৰা শাখা সাহিত্য সভা আৰু উক্ত শাখাৰ অন্তৰ্গত জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকৰ উপস্থিতি আৰু সাক্ষীত হ'ব।

২। আদৰণী সমিতিয়ে অধিৱেশন সম্পৰ্কীয় সকলো কাম, বাজেট আৰু নিমন্ত্ৰণ আদি মূল সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ পৰা আগতীয়াকৈ অনুমোদন কৰাই ল'ব লাগিব আৰু আদৰণী সমিতিত অনুমোদিত হ'ব লাগিব।

৩। (ক) অধিৱেশনৰ যাৱতীয় খৰচৰ হিচাপ-পত্ৰ অধিৱেশন হৈ যোৱাৰ অন্ততঃ ৭ দিনৰ ভিতৰত আদৰণী সমিতিত গৃহীত হ'ব লাগিব। পৰীক্ষিত আৰু অনুমোদিত হিচাপ আদৰণী সমিতিৰ সাধাৰণ সম্পাদকে মূল সভাৰ প্ৰধান সম্পাদকলৈ পঠাব লাগিব। নিৰ্দিষ্ট সময়ৰ ভিতৰত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে পৰীক্ষিত হিচাপ নাপালে আইনসংগত ব্যৱস্থা

ল'ব পাৰিব। আদৰণী সমিতি গঠন হোৱাৰ পৰা যাৱতীয় খৰচৰ অন্তৰ্বৰ্তীকালীন হিচাপ-পত্ৰ, প্ৰতিনিধি সভাৰ আগলৈকে হোৱা সমগ্ৰ খৰচৰ হিচাপ-পত্ৰ প্ৰতিনিধি সভাত দাখিল কৰিব লাগিব। হিচাপ আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ উপৰি আৱশ্যকবোধে চনদপ্ৰাপ্ত হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰি মূল সভালৈ অনিবাৰ্যভাবে পঠাব লাগিব।

(খ) অধিৱেশনৰ ভাষণ আৰু বিৱৰণী সংযুক্ত 'বাৰ্ষিকী' প্ৰকাশ কৰিবৰ বাবে আদৰণী সমিতিয়ে আৱশ্যকীয় ধন অসম সাহিত্য সভাক অনিবাৰ্যভাবে দিব লাগিব।

(গ) মূল সভাৰ হৈ কোনো শাখা সভা বা জিলা সভা অথবা শাখা বা জিলা সভাৰ দ্বাৰা গঠিত সমিতিয়ে কোনো অনুষ্ঠানৰ আয়োজন কৰিলে অনুষ্ঠান হৈ যোৱাৰ ৭ দিনৰ ভিতৰত আয়-ব্যয়ৰ সকলো হিচাপ অসম সাহিত্য সভাক দিব লাগিব। অন্যথাই সেই শাখা বা জিলা সভাৰ ওপৰত কাৰ্যনিৰ্বাহক সমিতিয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(ঘ) আদৰণী সমিতিয়ে অধিৱেশনৰ অন্তত ৰাহি হোৱা ধন মূল সভাৰ অনুমোদনক্ৰমেহে খৰচ কৰিব পাৰিব।

(ঙ) মূল সভাই নিৰ্দেশ দিলেহে আদৰণী সমিতিয়ে 'আদৰণী সমিতি' ভংগ কৰিব পাৰিব। মূল সভাৰ নিৰ্দেশ নোহোৱাকৈ আদৰণী সমিতি ভংগ কৰিলে আইনসংগতভাৱে থকা সকলো দায়-দায়িত্ব আদৰণী সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগতে আমন্ত্ৰণ কৰা শাখা আৰু জিলা সাহিত্য সভাৰ ওপৰত ন্যস্ত হ'ব।

(চ) আদৰণী সমিতি ভংগ হোৱাৰ পিছত আদৰণী সমিতিয়ে প্ৰকাশ কৰা অবিক্ৰীত গ্ৰন্থৰ লগতে সা-সম্পত্তি আদিৰ অধিকাৰী হ'ব স্থানীয় শাখা সভা; এনে শাখা সভা নাথাকিলে মূল সভা।

(ছ) সভাৰ জাতীয় ন্যাস পুঁজিলৈ আদৰণী সমিতিয়ে সংগৃহীত ধনৰ ৩ (তিনি) শতাংশ দিব লাগিব।

(জ) আদৰণী সমিতিৰ সকলো ধৰণৰ প্ৰকাশনৰ প্ৰত্যেকৰে ১০০ (এশ) খনকৈ অসম সাহিত্য সভাক বিনামূলীয়াকৈ দিব লাগিব।

(ঝ) নিৰ্ধাৰিত সময়ত অধিৱেশনৰ হিচাপ দাখিল নকৰা আৰু মূল সভাত সেই হিচাপ গৃহীত নোহোৱা আদৰণী সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক , আমন্ত্ৰিত শাখাৰ সেই সময়ৰ সভাপতি আৰু সম্পাদক আৰু সংশ্লিষ্ট জিলাৰ সেই সময়ৰ সভাপতি আৰু সম্পাদকে শাখা সভা, জিলা সভা অথবা মূল সভাৰ কোনো বিষয়বাব ল'ব নোৱাৰিব। অধিৱেশনৰ হিচাপ-পত্ৰ দাখিল নকৰা কোনো শাখা সভা বা জিলা সাহিত্য সভাই পৰৱৰ্তীকালত অধিৱেশন আমন্ত্ৰণ কৰা প্ৰস্তাৱ মূল সভাৰ দ্বাৰা বিবেচিত নহ'ব।

৪। উপবিধি (খ)ৰ ১,২,৩ বিধি সভাৰ হৈ অনুষ্ঠিত কৰা বিভিন্ন কেন্দ্ৰীয় অনুষ্ঠানৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। মাথোন উপবিধি (খ) ১(ক) ৰ আদৰণী সমিতি গঠন প্ৰক্ৰিয়াৰ সময়ৰ বাধ্যবাধকতা নাথাকিব।

## (গ) ঃ গৱেষণা কেন্দ্ৰ

অসম সাহিত্য সভাই ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক 'গৱেষণা কেন্দ্ৰ' প্ৰতিষ্ঠা কৰিলে কাৰ্যনিৰ্বাহকে তেনে কেন্দ্ৰ পৰিচালনা কৰিবৰ কাৰণে এখন পৰিচালনা সমিতি আৰু কাৰ্যসূচী ৰূপায়ণৰ বাবে বিশ্ববিদ্যালয়সমূহৰ নীতি-নিয়মৰ লগত সংগতি ৰাখি 'উপবিধি' প্ৰণয়ন কৰিব।

## (ঘ) ঃ সদস্য মহীয়ান

১। প্ৰাচ্যতত্ত্বৰ চৰ্চা আৰু গৱেষণাত মৌলিক আৰু একক বৰঙণি আগবঢ়োৱা শীৰ্ষস্থানীয় প্ৰতিভাসম্পন্ন ব্যক্তিক সভাই অসম সাহিত্য সভাৰ সৰ্বোত্তম উপাধি 'সদস্য মহীয়ান'ৰূপে বৰণ কৰিব পাৰিব।

২। ন্যূনতম ৩ (তিনি) বছৰৰ ভিতৰত এবাৰত একোগৰাকী ব্যক্তিক 'সদস্য মহীয়ান' স্বৰূপে বৰণ কৰিব পাৰিব। 'সদস্য মহীয়ান' মনোনীত কৰিবলৈ ৫ (পাঁচ) গৰাকী ব্যক্তিৰ এখন 'বিশেষজ্ঞ সমিতি' থাকিব। তলত নাম দিয়াসকল এই সমিতিৰ সদস্য হ'ব ঃ

(ক) গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক

(খ) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক

(গ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বৰ্ষৰ উপ-সভাপতি অথবা সভাৰ কেন্দ্ৰীয় অসম তত্ত্ব-গৱেষণা সংস্থানৰ সঞ্চালক (সংস্থান কাৰ্যক্ষম হৈ থাকিলে)

(ঘ) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি এগৰাকী

(ঙ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বছৰৰ সভাপতি সেই সমিতিৰ সভাপতি আৰু সংশ্লিষ্ট বছৰৰ প্ৰধান সম্পাদক সমিতিৰ 'আহ্বায়ক' হ'ব।

৩। (ক) সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে 'সদস্য মহীয়ান'ৰূপে বৰণ কৰিব খোজা যোগ্য ব্যক্তি এজনৰ বা অত্যাধিক ৩ (তিনি) জনৰ নাম গোপনীয়ভাৱে প্ৰস্তুত কৰি বিশেষজ্ঞ সমিতিৰ সদস্যসকললৈ মতামতৰ বাবে পঠাব।

(খ) বিশেষজ্ঞ সমিতিৰ সদস্যসকল কাৰ্য-নিৰ্বাহকৰ দ্বাৰা প্ৰস্তাৱিত নামত অনুমোদন জনোৱাত এক মত হ'ব নোৱাৰিলে, সভাপতিয়ে দুটা নিৰ্ণায়ক ভোটদান কৰি সিদ্ধান্তলৈ আহিব পাৰিব বা সেইবাৰলৈ বিষয়টো স্থগিত ৰাখি কাৰ্যনিৰ্বাহকক জনাব অথবা বিশেষজ্ঞ সমিতিয়ে সৰ্বসন্মতিক্ৰমে যোগ্য বুলি ভৰা কোনো এগৰাকী ব্যক্তিৰ নাম বাছনি কৰি পঠাব পাৰিব।

(গ) বিশেষজ্ঞ সমিতিয়ে কোনো যোগ্য ব্যক্তিৰ নামত অনুমোদন জনোৱাৰ পিছত কাৰ্য-নিৰ্বাহকে সেই ব্যক্তিক 'সদস্য মহীয়ান'স্বৰূপে বৰণ কৰিবৰ বাবে অনুমোদন জনালে, সংশ্লিষ্ট ব্যক্তিগৰাকীৰ সন্মতি লৈ প্ৰধান সম্পাদকে বিষয়টো ঘোষণা কৰিব পাৰিব।

## ঙ ঃ সাহিত্যাচাৰ্য

১। অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰলৈ মৌলিক বৰঙণি আগবঢ়োৱা শীৰ্ষস্থানীয় প্ৰতিভাসম্পন্ন ব্যক্তিক অসম সাহিত্য সভাই 'সাহিত্যাচাৰ্য' ৰূপে বৰণ কৰিব পাৰিব।

২। ন্যূনতম ২ (দুই) বছৰৰ ভিতৰত এবাৰত একাধিক ব্যক্তিক 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান কৰিব পাৰিব। 'সাহিত্যাচাৰ্য' মনোনীত কৰিবলৈ ৫ (পাঁচ) গৰাকী ব্যক্তিৰ এখন 'বিশেষজ্ঞ সমিতি' থাকিব। তলত নাম দিয়াসকল এই সমিতিৰ সদস্য হ'ব ঃ

(ক) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দুগৰাকী

(খ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বৰ্ষৰ উপ-সভাপতি

(গ) অসম সহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক এগৰাকী

(ঘ) অসম সাহিত্য সভাৰ সংশ্লিষ্ট বছৰৰ সভাপতি সেই সমিতিৰ সভাপতি আৰু সংশ্লিষ্ট বছৰৰ প্ৰধান সম্পাদক সমিতিৰ 'আহ্বায়ক' হ'ব।

৩। (ক) বিশেষজ্ঞ সমিতিৰ সদস্যসকল কাৰ্য-নিৰ্বাহকৰ দ্বাৰা প্ৰস্তাৱিত নামত অনুমোদন জনোৱাত এক মত হ'ব নোৱাৰিলে, সভাপতিয়ে দুটা নিৰ্ণায়ক ভোটদান কৰি সিদ্ধান্তলৈ আহিব পাৰিব বা সেইবাৰলৈ বিষয়টো স্থগিত ৰাখি কাৰ্যনিৰ্বাহকক জনাব অথবা বিশেষজ্ঞ সমিতিয়ে সৰ্বসন্মতিক্ৰমে যোগ্য বুলি ভৱা কোনো এগৰাকী ব্যক্তিৰ নাম বাছনি কৰি পঠাব পাৰিব।

(খ) সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে 'সাহিত্যাচাৰ্য' ৰূপে বৰণ কৰিব খোজা যোগ্য একাধিক ব্যক্তিৰ নাম গোপনীয়ভাৱে প্ৰস্তুত কৰি বিশেষজ্ঞ সমিতিৰ সদস্যসকললৈ মতামতৰ বাবে পঠাব।

(গ) বিশেষজ্ঞ সমিতিয়ে কোনো যোগ্য ব্যক্তিৰ নামত অনুমোদন জনোৱাৰ পিছত কাৰ্য-নিৰ্বাহকে সেই ব্যক্তিক 'সাহিত্যাচাৰ্য' স্বৰূপে বৰণ কৰিবৰ বাবে অনুমোদন জনালে, সংশ্লিষ্ট ব্যক্তিগৰাকীৰ সন্মতি লৈ প্ৰধান সম্পাদকে বিষয়টো ঘোষণা কৰিব পাৰিব।

## চ ঃ প্ৰকাশন সমিতি

(ক) প্ৰকাশনৰ মান, প্ৰয়োজনীয়তা আৰু সভাৰ নীতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকাশন আঁচনি ৰূপায়ণ কৰিবলৈ আৰু পূৰ্বৰ আঁচনিৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিয়ে এখন 'স্থায়ী সমিতি' গঠন কৰি দিব।

(খ) সমিতিৰ মুঠ সদস্য সংখ্যা ৯ জন হ'ব আৰু প্ৰতি দুবছৰৰ মূৰত জ্যেষ্ঠতাৰ ভিত্তিত তিনিভাগৰ এভাগ সদস্যক এই সমিতিৰ পৰা অৱসৰ দি তাৰ ঠাইত কাৰ্যনিৰ্বাহক সমিতিয়ে নতুন সদস্যক মনোনয়ন দিব।

(গ) সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক এই সমিতিৰো ক্ৰমে সভাপতি আৰু সম্পাদক হ'ব।

(ঘ) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে কাৰ্য পৰিচালনা কৰিব।

(ঙ) কোনো সদস্যৰ পদ মাজতে খালী হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে সেই পদলৈ বাকী থকা সময়ৰ বাবে নতুন সদস্যক মনোনয়ন দিব।

## ছ ঃ সভাৰ বঁটা আদি

(ক) সভাই সভাৰ বঁটা প্ৰদান উপ-বিধি অনুসৰি বঁটা বা আন সন্মান আদি প্ৰদান কৰিব পাৰিব।

## ওপৰঞ্চি ঃ ক

## সভাৰ প্ৰতীক

১। সভাৰ নিজা প্ৰতীকৰ ঠগাত থকা সাঁচিপতীয়া পুথিৰ ওপৰত মাটিৰ চাকি, তাৰ চাৰিওফালে 'চিৰ চেনেহী মোৰ ভাষা জননী' লিখা থাকিব আৰু তলত এটি তৰা থাকিব। ঠগাৰ তলৰ ভূমিত 'অসম সাহিত্য সভা' লিখা থাকিব। আৰ্হি তলত দিয়া হ'ল। প্ৰতীকৰ বেদীত 'অসম সাহিত্য সভা' নামটো থাকি সভাক ধৰি ৰাখিছে। বেদীৰ ওপৰত থকা শৰাইখনি জাতীয় সাংস্কৃতিক সৌধৰ নিদৰ্শন। সৌধস্বৰূপ শৰাইত প্ৰতিষ্ঠিত হৈছে এখনি পুথি। এই পুথি আমাৰ সমগ্ৰ মানৱীয় জ্ঞান, বিদ্যা, শিল্প, সাহিত্য আৰু বাঞ্ছিত প্ৰমূল্যসমূহৰ আধাৰ। ধ্ৰুৱ তৰাটি এই সাধনাৰ লক্ষ্য। এই সকলোখিনি সাধনাৰ প্ৰকাশ মাধ্যম 'চিৰ চেনেহী মোৰ ভাষা জননী'। এই বাক্যাংশটি লোৱা হৈছে সভাৰ আৰম্ভণী গীতস্বৰূপে ব্যৱহৃত মিত্ৰদেৱ মহন্তই ৰচিত গীতটিৰ প্ৰথমৰ পৰা। ভাষা জননীৰ অক্ষয় বন্তিগছিয়েই আমাৰ সকলো সাধনাক অনন্ত কাললৈ পোহৰাই ৰাখিব। এই বাণী, তৰা আৰু বন্তিগছিৰ পটভূমিত আছে এটি আঁহত পাতৰ আভাস। আঁহত পাতটি ভাৰতীয় সাংস্কৃতিক সাধনাৰ লগত গভীৰভাৱে সংপৃক্ত বোধিবৃক্ষৰ এটি প্ৰতীকী আভাস।

২। সভাৰ প্ৰতীক সভাৰ সকলো জিলা সভা আৰু শাখা সভাই আৰু প্ৰয়োজন অনুযায়ী স্বীকৃত সভাই ব্যৱহাৰ কৰি পাৰিব।

৩। সভাৰ পতাকা হ'ব— বগা পাটৰ কাপোৰৰ। ইয়াৰ জোখ হ'ব : ১ দীঘ-পুতলৰ।

৪। পতাকাৰ চাৰিওটা দাঁতিত সেউজীয়া ৰঙৰ সীমান্ত থাকিব।

৫। পতাকাৰ মাজত অংকিত হ'ব সভাৰ প্ৰতীক। ভিতৰৰ পটভূমি ক'লা ৰঙৰ; ঠগা আৰু মাটিৰ চাকি বগা আৰু ক'লা ৰঙেৰে অংকিত হ'ব। ভূমিত লিখা 'অসম সাহিত্য সভা' আৰু চাকিৰ চাৰিওফালে বৃত্তাকাৰে লিখা 'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ ৰং হ'ব হালধীয়া; পটভূমি উজ্জ্বল ৰঙা ৰঙৰ; শিখাৰ ৰঙো হ'ব ৰঙা।

৬। সভাৰ সকলো জিলা, শাখা আৰু স্বীকৃত সভাৰ বাৰ্ষিক অধিৱেশন, সাহিত্য সভা সপ্তাহত, কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা নিৰ্দিষ্ট কৰা দিনত পতাকা উত্তোলন কৰিব পাৰিব।

## ওপৰঞ্চি ঃ (খ)

## পতাকা উত্তোলনৰ বিধি

১। (ক) মূল সভা, শাখা সভা, জিলা সাহিত্য সভা আৰু স্বীকৃত সাহিত্য সভাৰ বছৰেকীয়া অধিৱেশন, এই সভাসমূহৰ তথা (মূল সভাই নিৰ্দেশ বা পৰামৰ্শ দিয়ামতে) অন্য কোনো মনীষীৰ জয়ন্তী, শতবাৰ্ষিকী, সাহিত্য সভা সপ্তাহ আদি দিৱসৰ উপলক্ষ্যতহে পতাকা উত্তোলনৰ সমাৰোহ হ'ব পাৰিব।

২। **পতাকা উত্তোলনৰ ক্ৰম হ'ব ঃ**

(ক) খোল আৰু তাল বাদ্যৰে গুৰুঘাতৰ গম্ভীৰ শব্দৰে কাৰ্য আৰম্ভ কৰিব। কিন্তু বাজনা দুই মিনিটৰ অধিক হ'ব নালাগিব। নাইবা পতাকা উত্তোলনৰ আনুষ্ঠানিক ঘোষণাৰে কাৰ্য আৰম্ভ কৰিব পাৰিব।

(খ) মূল সভাৰ অধিৱেশনত সভাপতি, সেয়ে নহ'লে উপ-সভাপতি, সেয়ে নহ'লে প্ৰাক্তন সভাপতি, সেয়ে নহ'লে আদৰণী সমিতিৰ সভাপতি বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব। আন সময়ত মূল সভাৰ সভাপতি, উপ-সভাপতি, প্ৰাক্তন সভাপতি বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব। জিলা বা শাখা সভাৰ অনুষ্ঠানত উপস্থিত থাকিলে সভাপতি, উপ-সভাপতি অথবা প্ৰাক্তন সভাপতি বা উপ-সভাপতিয়ে পতাকা উত্তোলন কৰিব। আন সময়ত জিলা, শাখা বা স্বীকৃত সভাৰ সভাপতি বা বিদায়ী সভাপতিয়ে বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব।

(গ) পতাকা উত্তোলন কৰাৰ লগে লগে সকলোৱে দুই হাত যোৰকৰি সভাক নমস্কাৰ জনাব আৰু লগে লগে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটি সকলোৱে গাব বা বাদ্যযন্ত্ৰত বজাব।

(ঘ) গীত শেষ হোৱাৰ লগে লগে পতাকা উত্তোলয়িতাই চমু ভাষণ দিব। পতাকা উত্তোলনৰ কাৰ্যসূচী সম্পন্ন নোহোৱা পৰ্যন্ত সকলোৱে থিয় হৈ থাকিব।

৩। (ক) পুৱা ৯.০০ বজাৰ আগতে 'পতাকা উত্তোলন' কৰিব লাগিব আৰু সূৰ্যাস্তৰ আগে আগে পতাকা নমাই ৰাখিব লাগিব।

(খ) সভাৰ বাৰ্ষিক অধিৱেশন স্থলীত উত্তোলিত পতাকা শেষৰ দিনাহে সূৰ্যাস্তৰ লগে লগে নমাব লাগিব। কিন্তু শাখা আৰু জিলাৰ ক্ষেত্ৰত উল্লিখিত 'ক' বিধিহে প্ৰযোজ্য হ'ব।

(গ) কাৰ্যকালত সভাপতিৰ পৰলোক ঘটিলে ৫ দিন, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ পৰলোকত ৩ দিন, প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু প্ৰাক্তন সম্পাদক, পৰলোকত ১ দিন পতাকা অৰ্ধনমিতভাৱে উত্তোলন কৰি শোক প্ৰকাশ কৰিব। উক্ত ব্যক্তিসকলৰ দেহাৱসানৰ ক্ষেত্ৰত পতাকা দি শ'দেহত সন্মান প্ৰদৰ্শন কৰিব আৰু সেই পতাকা ঘূৰাই আনিব। প্ৰতিষ্ঠিত বৰেণ্য সাহিত্যিক-শিল্পী, সভাৰ অন্যান্য বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্য, জিলা সভা আৰু শাখা সভাৰ সভাপতি আৰু সম্পাদকৰ বিয়োগত সভাৰ পতাকা ১ দিনৰ বাবে অৰ্ধনমিত হ'ব।

(ঘ) মূল সভা, জিলা সভা, শাখা, স্বীকৃত সভাৰ অধিৱেশন বা বিশেষ অনুষ্ঠানতহে পতাকা উত্তোলন কৰিব। স্মৃতি-সভা আদিত পতাকা উত্তোলন কৰিব নোৱাৰিব। কিন্তু জন্ম-জয়ন্তী, স্মৃতি-অনুষ্ঠান, যিকোনো জয়ন্তী অনুষ্ঠান আদিত পতাকা উত্তোলন কৰিব পাৰিব।

(ঙ) সভাৰ অধিৱেশন, বিশেষ অনুষ্ঠানৰ কেইদিনৰ বাহিৰে আন অনুষ্ঠানত প্ৰতীকসহ পতাকা অনুমোদিত যান-বাহনত ব্যৱহাৰ কৰিব নোৱাৰিব।

(চ) সাধাৰণ অৱস্থাত সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ যানৰ বাহিৰে আনে পতাকা যানত ব্যৱহাৰ কৰিব নোৱাৰিব। সভাৰ 'বিশেষ কাৰ্যত তথা শুভেচ্ছামূলক ভ্ৰমণ' আদিত প্ৰধান সম্পাদকৰ অনুমোদনক্ৰমে পতাকা ব্যৱহাৰ কৰিব পাৰিব।

(ছ) জিলা, শাখা বা স্বীকৃত সভাৰ অনুষ্ঠান অথবা উক্ত সভাসমূহৰ দ্বাৰা গঠিত উদ্‌যাপন সমিতি অথবা আদৰণী সমিতিয়ে কোনো অনুষ্ঠানলৈ মূল সভাৰ সভাপতি, উপ-সভাপতি অথবা প্ৰধান সম্পাদকক নিমন্ত্ৰণ জনালে ক্ৰমে উদ্বোধক, মুখ্য অতিথি আৰু বিশিষ্ট অতিথি হিচাপেহে আমন্ত্ৰণ জনাব পাৰিব। সভাৰ প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকক বিশেষ মৰ্যাদাৰে আমন্ত্ৰণ জনাব লাগিব। একেদৰে জিলা বা শাখা সভাৰ কোনো অনুষ্ঠানত মূল সভাৰ বিষয়ববীয়া উপস্থিত থাকিলে তেওঁলোকক মৰ্যাদাৰ ক্ৰম অনুসৰি বৰণ কৰিব লাগিব।

**৪। (ক) পতাকা উত্তোলনৰ গীত আৰু জাতীয় সংগীত**

*অ' মোৰ আপোনাৰ দেশ*
*অ' মোৰ চিকুণী দেশ*
*এনেখন সুৰলা এনেখন সুফলা*
*এনেখন মৰমৰ দেশ।*
*অ' মোৰ সুৰীয়া মাত*
*অসমৰ সুৱদি মাত*
*পৃথিৱীৰ ক'তো বিচাৰি জনমটো*
*নোপোৱা কৰিলেও পাত।*
*অ' মোৰ ওপজা ঠাই*
*অ' মোৰ অসমী আই*
*চাই লওঁ এবাৰ মুখনি তোমাৰ*
*হেপাহ মোৰ পলোৱা নাই।*

**গীতিকাৰ ঃ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা**

## ‘অ’ মোৰ আপোনাৰ দেশ’ গীতৰ

স্বৰলিপি ঃ তাল দাদৰা ৬ মাত্ৰা

স্থায়ী ঃ

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| + | | | ০ | | | + | | | ০ | | |
| সা | - | ধা | সা | ৰে | সা | গা | - | - | গা | - | - |
| অ’ | ঽ | মোৰ | আপো | নাৰ | | দে | ঽ | ঽ | ঽ | ঽ | শ |
| + | | | ০ | | | = | | | ০ | | |
| মা | - | গা | ৰে | গা | ৰে | পা | - | - | পা | - | - |

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| অ’ | ঽ | মোৰ | চিকু | | ণী | দে | ঽ | ঽ | ঽ | ঽ | শ |
| + | | | ০ | | | + | | | ০ | | |
| পা | পা | পা | পা | র্ধা | পা | মা | মা | মা | গা | গা | গা |
| এ | নে | খন | শু | ৱ | লা | এ | নে | খন | সু | ফ | লা |
| + | | | ০ | | | + | | | ০ | | |
| ৰে | গা | ৰে | সা | নি | ৰে | সা | - | - | - | - | - |
| এ | নে | খন | ম | ৰ | মৰ | দে | | | | | শ |

১ম অন্তৰা ঃ

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| + | | | ০ | | | + | | | ০ | | |
| সা | - | নি | ধা | নি | ৰে | সা | - | - | - | - | - |
| অ’ | ঽ | মোৰ | সু | ৰী | য়া | মা | ঽ | ঽ | ঽ | ঽ | ত |
| + | | | ০ | | | + | | | ০ | | |
| নি | - | ধা | পা | মা | ধা | পা | - | - | - | - | - |
| অ | স | মৰ | সু | ৱ | দি | মা | ঽ | ঽ | ঽ | ঽ | ত |
| + | | | ০ | | | + | | | ০ | | |
| পা | পা | পা | ধা | পা | পা | মা | মা | মা | গা | গা | গা |
| পৃ | থি | ৱীৰ | ক’ | | তো | বি | চা | ৰি | জ | নম | টো |
| + | | | ০ | | | + | | | ০ | | |
| ৰে | গা | ৰে | সা | নি | ৰে | সা | - | - | - | - | - |
| নো | পো | ৰা | ক | ৰি | লেও | পা | ঽ | ঽ | ঽ | ঽ | ত |

২য় অন্তৰাৰ সুৰ ১ম অন্তৰাৰ দৰেই হ’ব।

স্বৰলিপিৰ কথা ঃ-

(ক) তাল অংশৰ “+” সমৰ চিন “০” খালীৰ চিন।

ঠেকা “দাদৰা” ধা ধী না / না তী না

(খ) স্বৰ অংশৰ

১। চিন নথকা স্বৰসমূহ মধ্য সপ্তকৰ যেনে ‘পা’

২। স্বৰৰ তলত বিন্দু থকা স্বৰসমূহ মন্দ্ৰ সপ্তকৰ যেনে ‘ধা’

৩। স্বৰৰ ওপৰত বিন্দু থকা স্বৰসমূহ তাঁৰ সপ্তকৰ যেনে ‘ৰে’

৪। স্বৰৰ ওপৰত নাল থকা স্বৰটি কড়ি মধ্যম যেনে ‘মা’

(ভাটখাণ্ডে স্বৰলিপি অনুকৰণ কৰা হৈছে) গীতটি গাওঁতে দোহাৰিব নালাগে।

**স্বৰলিপি ঃ ইন্দ্ৰেশ্বৰ শৰ্মা, যোৰহাট**

## (খ) সভাৰ আৰম্ভণী গীত

চিৰ চেনেহী মোৰ ভাষা জননী
ধন্যে পুণ্যে হৃৎ পাৱনী
প্ৰকৃতি পৰশ ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চপাৰ কলি
ঢৌৱে ঢৌৱে ঢৌৱে তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী।
সংসাৰ গুৰুভাৰে অৱশ পৰাণ।
হিয়াত বিলীন হয় হিয়াভৰা গান।
কাৰ নিচুকনি সনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি।।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে মোৰ মধুৰননা মাগিছোঁ মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধু ভাষিণী।।

### গীতিকাৰ ঃ মিত্ৰদেৱ মহন্ত অধিকাৰ

মিত্ৰদেৱ মহন্ত অধিকাৰদেৱৰ এই গীত সাহিত্য সভাৰ সকলো অনুষ্ঠানৰ আৰম্ভণিতে গাব। সভাৰ বাহিৰে অইন অনুষ্ঠানত এই গীত পৰিৱেশন কৰিব নোৱাৰিব।

### স্বৰলিপি ঃ 'চিৰ চেনেহী মোৰ ভাষা জননী'

| | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| x | | । | | 0 | | | | x | | | | 0 | | | |
| পা | - | মা | পা | গা | মা | ৰে | - | ৰে | গা | নি | সা | গা | - | - | - |
| চি | s | ৰ | চে | নে | হী | মো | ৰ | ভা | ষা | জ | ন | নী | s | s | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| সা | - | ৰে | - | ৰে | - | - | - | ৰে | গা | পা | মা | গা | - | সানি | ধানি |
| ধ | s | ন্যে | s | পু | s | ণ্যে | s | হৃ | s | পা | ৱ | নী | s | আs | ইs |
| x | | | | 0 | | | | x | | | | 0 | | | |
| | ঐ | | | | ঐ | | | | ঐ | | | গা | - | - | - |
| | | | | | | | | | | | | নী | s | s | s |

| | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| x | | | | 0 | | | | x | | | | 0 | | | |
| সা | - | ৰে | - | ৰে | - | - | - | ৰে | গা | পা | মা | গা | - | - | - |
| প্র | কৃ | তি | প | ৰ | শ | ৰ | সে | অ | ম | ল | ক | ম | ল | s | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| গা | - | ধা | ধা | পা | মা | পা | - | ৰে | গা | পা | মা | গা | - | - | - |
| চ | s | ঞ্চ | ল | হৃ | দি | জ | লে | ঢা | লে | প | ৰি | ম | ল | s | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| গা | ¯নি | - | নি | ¯নি | - | নি | নি | ¯নি | সা | নি | ৰে | সা | নি | ধা | ধা |
| কো | ম | ল | চ | পা | ৰ | ক | লি | টৌ | ৰে | টৌ | ৰে | টৌ | ৰে | তু | লি |
| x | | | | 0 | | | | x | | | | 0 | | | |
| ¯নি | ৰে | সা | নি | ধা | পা | ¯মা | পা | ৰে | গা | নি | সা | গা | - | - | - |
| ৰি | ণি | কি | ৰি | ণি | কি | কো | নে | তো | লে | ৰা | গি | ণী | s | s | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| সা | - | সা | সা | সা | - | - | সা | পা | ধা | সা | নি | ধা | - | - | - |
| স | ং | সা | ৰ | গু | ৰু | ভা | ৰে | অ | ৱ | শ | প | ৰা | s | ণ | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| ধা | ৰে | - | ৰে | সা | নি | সা | - | পা | ধা | সা | নি | ধা | - | - | - |
| হি | য়া | ত | বি | লী | ন | হ | য় | হি | য়া | ভ | ৰা | গা | s | ন | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| ধা | - | গা | গা | গা | - | গা | গা | গা | মা | গা | পা | মা | গা | ৰে | ৰে |
| কা | ৰ | নি | চু | ক | নি | স | না | শু | নি | বা | ণী | ব্য | থা | প | মা |
| x | | | | 0 | | | | x | | | | 0 | | | |
| গা | পা | মা | গা | ৰে | সা | নি | সা | পা | ধা | সা | নি | ধা | - | - | - |
| চ | কু | তে | চ | কু | ৰ | ¯নী | ৰে | ল | য় | জি | ৰ | ণি | s | s | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| সা | সা | ৰে | ৰে | মা | মা | মা | পা | পা | ধা | ধা | পামা | ধা | - | - | - |
| জী | ৱ | নে | ম | ৰ | ণে | ৰ | ণে | ল | হ | ৰী | সুs | ধা | s | s | ৰ |
| x | | | | 0 | | | | x | | | | 0 | | | |
| ধা | সা | সা | সা | নি | নি | ধা | ধা | পা | পা | গাপা | মা | গা | - | - | - |
| ৰ | স | না | শি | তা | নে | ব | হি | সিঁ | চা | শs | ত | ধা | s | ৰ | s |
| x | | | | 0 | | | | x | | | | 0 | | | |
| গা | নি | - | নি | ¯নি | - | নি | নি | নি | সা | নি | ৰে | সা | নি | ধা | ধা |
| হে | s | মোৰ | ম | ধু | ৰ | ন | না | মা | গি | ছোঁ | মা | ধু | ৰী | ক | ণা |
| x | | | | 0 | | | | x | | | | 0 | | | |
| নি | ৰে | সা | ¯নি | ধা | পা | মা | পা | ¯ৰে | গা | নি | সা | গা | - | - | - |
| দি | য়া | দি | য়া | দি | য়া | আ | ই | ম | ধু | ভা | ষি | ণী | s | s | s |

স্বৰলিপি ভাটখাণ্ডে পদ্ধতিত কৰা হৈছে। স্বৰলিপিৰ চিন ঃ ‘মা’ কড়ি মধ্যম, ‘নি’ কোমল স্বৰ, ‘ধা’ মন্দ্র সপ্তক, ৰে তাঁৰ সপ্তক, তাল কাহাৰবা - ৮ মাত্রা

**সুৰ আৰু স্বৰলিপি ঃ ইন্দ্রেশ্বৰ শৰ্মা, যোৰহাট**

## ওপৰঞ্চি ‘গ’
## স্মৃতি-তৰ্পণ

(ক) প্ৰয়াত লেখক-লেখিকা, শিল্পী আদিৰ স্মৃতিত যদি তৰ্পণৰ ব্যৱস্থা থাকে, পতাকা উত্তোলনৰ পিছতে এই অনুষ্ঠান সম্পাদিত হ'ব।
(খ) বগা কাপোৰেৰে তৰ্পণ বেদী বা তৰ্পণ স্তম্ভ সজাব আৰু তাত কেৱল ‘স্মৃতি-তৰ্পণ’ বুলিহে লিখা থাকিব।
(গ) স্মৃতি-তৰ্পণৰ কাৰ্যসূচী সম্পাদনাৰ বাবে নিমন্ত্ৰিত ব্যক্তিক আহ্বান জনোৱাৰ পিছত তেওঁ সকলোৰে হৈ বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি দিয়াৰ সময়ত মংগল ধ্বনি (উৰুলি, শংখ, ঘণ্টা) কৰিব।
(ঘ) স্মৃতি-তৰ্পণৰ বাবে বিশেষভাৱে নিমন্ত্ৰিত ব্যক্তি নাথাকিলে বা অনুপস্থিত থাকিলে সভাপতিয়ে সকলোৰে হৈ স্মৃতি-তৰ্পণ কৰিব।
(ঙ) শাখা বা জিলা সভাৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি উপস্থিত থাকিলে সভাৰ সভাপতিয়ে সভাৰ হৈ স্মৃতি-তৰ্পণ কৰিব।
(চ) স্মৃতি-তৰ্পকে ইচ্ছা কৰিলে এটি চমু ভাষণ দিব।
(ছ) স্মৃতি-সভা বা জন্ম-শতবাৰ্ষিকী আদি অনুষ্ঠানত প্ৰতিকৃতি বা ফলকত স্মৃতি-তৰ্পণ কৰিব। আন অনুষ্ঠানত স্মৃতি-তৰ্পণৰ ওপৰঞ্চি সংশ্লিষ্ট ব্যক্তিগৰাকীৰ পৰিয়ালৰ এজনে স্মৃতি-তৰ্পণ কৰিব পাৰিব। আন কোনো ক্ষেত্ৰতে স্মৃতি-তৰ্পণৰ বাবে একাধিক ব্যক্তিক আহ্বান নজনাব। কোনো ব্যক্তিয়ে স্মৃতি-স্তম্ভ, প্ৰতিকৃতি বা স্মৃতি-ফলকত পুষ্পাঞ্জলি দিব খুজিলে অনুষ্ঠান হৈ যোৱাৰ পিছত অনানুষ্ঠানিকভাৱে আৰু ব্যক্তিগতভাৱে দিয়াত বাধা নাথাকিব।

## ওপৰঞ্চি ‘ঘ’
## সভা-সমিতি পৰিচালনাৰ নীতি-নিৰ্দেশনা

**১। আৰম্ভণী গীত ঃ**
(ক) সভাৰ অধিৱেশন আৰু সভাৰ কোনো বিশেষ কাৰ্যসূচীৰ মুকলি সভা ‘চিৰ চেনেহী মোৰ ভাষা জননী’ গীতেৰে আৰম্ভ কৰিব আৰু ‘অ' মোৰ আপোনাৰ দেশ’ গীতেৰে শেষ কৰিব। মুকলি সভাৰ পিছত যদি অনুষ্ঠানৰ অংগৰূপে সাংস্কৃতিক কাৰ্যসূচী থাকে, সেই কাৰ্যসূচীৰ অন্তত ‘অ' মোৰ আপোনাৰ দেশ’ পৰিৱেশন কৰোতে সকলোকে থিয় হ'বলৈ নিৰ্দেশ দিব।
(খ) অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচী কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুমোদিত হ'ব লাগিব।
**২। নিমন্ত্ৰণী পত্ৰ ঃ**
(ক) মূল সভাৰ ‘নিমন্ত্ৰণী পত্ৰ বা বিজ্ঞপ্তি’ আদিত কেৱল প্ৰধান সম্পাদকৰ স্বাক্ষৰ থাকিব। ইচ্ছা কৰিলে সভাপতিয়ে ‘বিশেষ সুকীয়া’ বিজ্ঞপ্তি প্ৰকাশ কৰিব পাৰিব।
(খ) মূল সভাই যদি জিলা সভা, শাখা সভা বা উদ্‌যাপন সমিতিৰ সহযোগত কোনো অনুষ্ঠানৰ আয়োজন কৰে, তেতিয়া হ'লে নিমন্ত্ৰণী পত্ৰৰ সোঁফালে মূল সভাৰ প্ৰধান সম্পাদকৰ আৰু বাওঁফালে সংশ্লিষ্ট অনুষ্ঠানৰ (উদ্‌যাপন সমিতিৰ) কেৱল সম্পাদকৰহে স্বাক্ষৰ থাকিব। মূল সভাৰ প্ৰধান সম্পাদক আৰু বাওঁফালে আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰ স্বাক্ষৰ থাকিব।
(গ) জিলা সাহিত্য সভাৰ অধিৱেশন বা অন্যান্য অনুষ্ঠানতো সেই অনুক্ৰমে সোঁফালে কেৱল সম্পাদকৰ আৰু বাওঁফালে কেৱল আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰহে স্বাক্ষৰ থাকিব।
(ঘ) শাখা সভা বা স্বীকৃত সভাৰ ক্ষেত্ৰত নিমন্ত্ৰণী পত্ৰৰ সোঁফালে সম্পাদক আৰু বাওঁফালে আয়োজক সমিতিৰ সম্পাদকৰ স্বাক্ষৰ থাকিব।
(ঙ) সম্বৰ্ধনা-পত্ৰ, মান-পত্ৰ আদিত সোঁফালে সভাপতিৰ আৰু বাওঁফালে প্ৰধান সম্পাদকৰ স্বাক্ষৰ থাকিব। জিলা আৰু শাখা সভাৰ ক্ষেত্ৰতো এই বিধি প্ৰযোজ্য হ'ব।
**৩। বিশিষ্ট অতিথিৰ আসন নিৰ্ধাৰণৰ, মঞ্চ নিৰ্দেশিকা আদি ঃ**
(ক) আমন্ত্ৰিত অতিথিৰ পৰিচয়
(খ) আসন নিৰ্ধাৰণৰ ক্ৰম (মুকলি সভা)
(গ) আলোচনা চক্ৰ, শাখা সন্মিলন আদি
(ঘ) প্ৰতিনিধি সভা
(ঙ) সভাৰ সকলো অনুষ্ঠানলৈ প্ৰাক্তন সভাপতিসকল সন্মানিত অতিথিৰূপে নিমন্ত্ৰিত হ'ব।
(চ) সভাৰ চলিত বা পূৰ্বৰ অধিৱেশনৰ বিভিন্ন শাখা সন্মিলনৰ সভাপতি, উদ্বোধক, মুখ্য অতিথিসকল, বিশিষ্ট অতিথিৰূপে গণ্য হ'ব।
(ছ) অন্যান্য ভাষা-সাহিত্যৰ ৰাজ্যিক স্তৰৰ অনুষ্ঠানৰ সভাপতি আৰু সম্পাদকসকল বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব।

(জ) সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব।
(ঝ) লব্ধ-প্ৰতিষ্ঠ বিশিষ্ট সাহিত্যিকসকল বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব।
(ঞ) কেৱল বিশিষ্ট সাহিত্যিককহে উদ্বোধক বা মুখ্য অতিথিৰূপে আমন্ত্ৰণ জনাব পাৰিব। সভাৰ প্ৰাক্তন সভাপতিসকলকো এনে দায়িত্ব দি আমন্ত্ৰণ জনাব পাৰিব।
(ট) শাখা সভা বা জিলা সভাৰ অধিৱেশনত যদি মূল সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদক উপস্থিত থাকে, তেওঁলোকক সেই অনুষ্ঠানৰ সভাপতিৰ লগতে একেলগে মঞ্চলৈ নিমন্ত্ৰণ জনাব আৰু সেই সভাৰ ক্ৰমে উদ্বোধক, মুখ্য অতিথি আৰু বিশিষ্ট অতিথি হ'ব। মূল সভাৰ সভাপতিৰ পিছতহে সেই অনুষ্ঠানৰ মুখ্য অতিথি, বিশিষ্ট অতিথি, বক্তাসকলক নিমন্ত্ৰণ জনাব বা আদৰণি জনাব পাৰিব।
(ঠ) মূল সভাৰ প্ৰাক্তন সভাপতিসকল জিলা বা শাখা সভাৰ অনুষ্ঠানত সন্মানিত অতিথিৰূপে আৰু উপ-সভাপতি (প্ৰাক্তন আৰু বৰ্তমানৰ) আৰু প্ৰধান সম্পাদকসকল (প্ৰাক্তন আৰু বৰ্তমানৰ) বিশিষ্ট অতিথিৰূপে গণ্য হ'ব।
(ঢ) জিলা বা শাখা সভাৰ অনুষ্ঠানলৈ সেই জিলাত থকা মূল সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক আৰু অন্যান্য বিষয়ববীয়াসকল ক্ৰম অনুসৰি নিমন্ত্ৰিত হ'ব।
(ণ) ভাষা-সাহিত্য-সংস্কৃতিলৈ বৰঙণি নথকা কোনো ব্যক্তিক উদ্বোধক বা মুখ্য অতিথিৰূপে নিমন্ত্ৰণ নজনাব।
(ত) ৰাজ্য বা ৰাষ্ট্ৰৰ মুৰব্বীক (ৰাষ্ট্ৰপতি, ৰাজ্যপাল, প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী আদিক) নিমন্ত্ৰণ জনালে বিশেষ কাৰ্যসূচীৰ পৰিকল্পনা কৰি নিমন্ত্ৰণ জনাব যাতে অন্যান্য নিয়মিত কাৰ্যসূচী বিঘ্নিত নহয় আৰু সভাৰ অন্যান্য নিমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকল কোনো প্ৰকাৰে অস্বস্তিকৰ অৱস্থাৰ সন্মুখীন নহয়।
(থ) জিলা সভা, শাখা সভাৰ এলেকাত থকা মূল সভাৰ সভাপতি, প্ৰাক্তন সভাপতি, উপ-সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰধান সম্পাদক, প্ৰাক্তন প্ৰধান সম্পাদকসকলক আৰু সভাৰ পাঁচোটি কাৰ্যালয়ৰ চলিত বছৰৰ সহকাৰী সম্পাদকসকলক শাখা-জিলাৰ কাৰ্যনিৰ্বাহক সমিতি আৰু প্ৰতিনিধি সভালৈ বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হ'ব আৰু জিলা সভাৰ কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভাত যোগদান কৰাৰ অধিকাৰ থাকিব।
(দ) মূল সভালৈ পঠোৱা জিলা সভাৰ প্ৰতিনিধিজন জিলা সভাৰ 'কাৰ্যনিৰ্বাহক সদস্য' স্বৰূপে গণ্য হ'ব।

**৪। নিমন্ত্ৰিতসকলৰ পৰিচয় আৰু বৰণ ক্ৰম ঃ**

(ক) সভাপতি, উপ-সভাপতি, উদ্বোধক, মুখ্য অতিথি, আদৰণী সমিতিৰ সভাপতি
(খ) সন্মানিত অতিথি ঃ সভাৰ প্ৰাক্তন সভাপতিসকল
(গ) বিভিন্ন ভাষা-সাহিত্যৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ সভাপতিসকল
১। বিভিন্ন ভাষা-সাহিত্যৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানৰ সভাপতি আৰু সম্পাদকসকল
২। সভাৰ চলিত বছৰৰ অধিৱেশনৰ বিভিন্ন শাখা সন্মিলনৰ সভাপতি, উদ্বোধক, মুখ্য অতিথি, আলোচক আৰু বিশেষ কাৰ্যসূচী সম্পাদনা কৰা বিশিষ্ট অতিথিসকল
৩। সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু প্ৰাক্তন প্ৰধান সম্পাদকসকল
বিঃ দ্ৰঃ (১) (আদৰণী সমিতিৰ সভাপতি, সাধাৰণ সম্পাদকক পৰিচয় কৰাই দিব ; বৰণ কৰিব নালাগে)
৪। প্ৰধান সম্পাদকে বিশিষ্ট অতিথি তথা নিমন্ত্ৰিতসকলক পৰিচয় কৰাই দিব। আদৰণী সমিতিয়ে প্ৰধান সম্পাদকক পৰিচয় কৰাই দি বৰণ কৰিব।
৫। সহকাৰী সম্পাদকে সভাৰ কাৰ্যনিৰ্বাহকৰ অন্যান্য বিষয়ববীয়া আৰু সদস্যসকলক পৰিচয় কৰাই দিব। প্ৰধান সম্পাদক/সহকাৰী সম্পাদকে পৰিচয় কৰাই দিয়াৰ লগে লগে আদৰণী সমিতিয়ে যদি উপহাৰ প্ৰদান কৰিব খোজে বা আদৰণী জনাব খোজে, লগে লগে জনাব।

**৫। মঞ্চত স্থান নিৰ্দেশনা ঃ**

(১) মাজত সভাপতি, প্ৰেক্ষাগৃহৰ দৰ্শকৰ ফালৰ পৰা সভাপতিৰ সোঁহাতে বিদায়ী সভাপতি, বিদায়ী সভাপতিৰ সোঁহাতে মুখ্য অতিথি সেইদৰে ক্ৰমানুসাৰে উদ্বোধক, উপ-সভাপতি নৱনিৰ্বাচিত, বিদায়ী উপ-সভাপতি আৰু প্ৰাক্তন সভাপতিসকল তথা সন্মানিত অতিথিসকল বহিব। সভাপতিৰ বাওঁহাতে প্ৰধান সম্পাদক, প্ৰধান সম্পাদকৰ সোঁহাতে ক্ৰমানুসৰি নৱনিৰ্বাচিত প্ৰধান সম্পাদক, আদৰণী সমিতিৰ সভাপতি, আদৰণী সমিতিৰ সাধাৰণ সম্পাদক, প্ৰাক্তন প্ৰধান সম্পাদকসকল তথা বিশিষ্ট অতিথিসকল বহিব। মুখ্যমন্ত্ৰী বা ৰাষ্ট্ৰৰ কোনো মুৰব্বী উপস্থিত থাকিলে সভাপতি আৰু প্ৰধান সম্পাদকৰ মাজত আসন গ্ৰহণ কৰিব।
(২) প্ৰথম শাৰীত নুজুৰিলে দ্বিতীয় শাৰীত সন্মানিত অতিথিসকল আৰু বিশিষ্ট অতিথিসকল বহিব।
(৩) পিছৰ শাৰীত বিশিষ্ট অতিথিসকল আৰু বিশিষ্ট প্ৰতিনিধিসকল বহিব। সহকাৰী সম্পাদককে ধৰি বিষয়ববীয়াসকল আৰু বিশেষ কামৰ বাবে নিয়োজিতসকল প্ৰধান সম্পাদকৰ পিছত বহিব।
(৪) মঞ্চত কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলৰ বাবে ঠাইৰ নাটনি হ'লে প্ৰেক্ষাগৃহৰ আগফালে বিশেষ স্থান ৰাখিব।
(৫) বক্তৃতা অনুষ্ঠান, আলোচনা চক্ৰ, কবি সন্মিলন, লেখকৰ লগত অন্তৰংগ সাক্ষাৎ আদি অনুষ্ঠানত সভাৰ সভাপতি, উপ-সভাপতি, উদ্বোধক, প্ৰধান সম্পাদক, মুখ্য বক্তা, অংশগ্ৰহণকাৰীসকল, অন্তৰংগ সাক্ষাতৰ বাবে নিমন্ত্ৰিত লেখক কেৱল মঞ্চত বহিব অৰ্থাৎ কেৱল দায়িত্ব থকাসকলহে বহিব। সভাৰ সকলো অনুষ্ঠানৰ সন্মানিত অতিথিৰূপে নিমন্ত্ৰিত প্ৰাক্তন সভাপতিসকলৰ বাবে যদি মঞ্চত ঠাইৰ অকুলন হয়, সভাৰ আগশাৰীত আসন সংৰক্ষণ কৰিব।

৬। (ক) সভাৰ সকলো অনুষ্ঠান প্ৰধান সম্পাদক বা প্ৰধান সম্পাদকৰ আদেশপ্ৰাপ্ত ব্যক্তিয়ে পৰিচালনা কৰিব।
(খ) সভাৰ কাৰ্যসূচী ঘোষণাৰ বাবে প্ৰশিক্ষিত ঘোষক-ঘোষিকা নিয়োগ কৰাৰ ব্যৱস্থা মুকলি হৈ থাকিব।
(গ) সভাৰ কাৰ্যসূচী মূল সভা আৰু আদৰণী সমিতিৰ বিষয়ববীয়াসকলৰ হাতত মজুত থাকিব।
(ঘ) প্ৰয়োজন হ'লে দৰ্শক-শ্ৰোতাৰ জ্ঞাতাৰ্থে আগতীয়াকৈ বিতৰণ কৰি দিবও পাৰিব।

**৬। সভাঘৰত নিমন্ত্ৰিতসকলৰ স্থান ঃ**

(ক) কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য
(খ) সন্মানীয় হিতৈষী সভ্য আৰু হিতৈষী সভ্যসকল
(গ) আজীৱন সভ্যৰ প্ৰতিনিধিসকল
(ঘ) প্ৰতিনিধিসকল
(ঙ) দৰ্শক প্ৰতিনিধিবৃন্দ
(চ) দৰ্শক

## ওপৰঞ্চি 'ঙ'
## প্ৰতিনিধি সভা
## প্ৰতিনিধিৰ আচৰণ-বিধি

মূল সভা, জিলা সভাৰ বাৰ্ষিক অধিৱেশনলৈ শাখা সভাৰ প্ৰতিনিধি নিৰ্বাচন কৰোতে তলৰ বিষয়সমূহ মানি চলিব লাগিব।
১। প্ৰতিজন সাহিত্য সভাৰ নিয়মীয়া সাধাৰণ সভ্য বা আজীৱন সভ্য হ'ব লাগিব।
(ক) প্ৰতিজনৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু সভাৰ প্ৰতি আনুগত্য থাকিব লাগিব।
(খ) প্ৰতিনিধি সভা আৰু সন্মিলনৰ অন্যান্য কাৰ্যসূচীত নিৰ্বাচিত প্ৰতিনিধিৰ উপস্থিতি বাধ্যতামূলক।

### ওপৰঞ্চি ঃ 'চ'
### জিলা সভা/শাখা সভাৰ আবেদন প্ৰ-পত্ৰ

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক মহোদয়ৰ সমীপেষু,
শ্ৰদ্ধাস্পদেষু,

আমি সিপিঠিত নাম আৰু স্বাক্ষৰ দিয়া লোকসকলে অসম সাহিত্য সভাৰ জিলা/শাখা সভা/স্বীকৃত সভা গঠন কৰিবলৈ স্থিৰ কৰিছো। আমি অসম সাহিত্য সভাৰ নিয়মাৱলী আৰু উপবিধি জানো আৰু সেইবোৰ মানি চলিবলৈ বাধ্য থাকিলো।

আমাৰ............জন সভ্যৰ ভৰ্তি মাচুল ............টকা আৰু বছৰেকীয়া বৰঙণি............টকা কৰ্মচাৰীৰ সাহায্য পুঁজি............টকা, জাতীয় ন্যাস পুঁজিৰ............টকা আৰু পত্ৰিকাৰ বৰঙণি............ টকা **মুঠ**..................টকা ইয়াৰ লগত পঠালো। (জিলাৰ ক্ষেত্ৰত কেৱল বছৰেকীয়া বৰঙণি, ন্যাস পুঁজিৰ বৰঙণি আৰু পত্ৰিকাৰ বৰঙণিহে হ'ব)।

**জিলা/শাখা সভা/স্বীকৃত সভাৰ নাম ঃ**

সম্পাদকৰ নাম ঃ
গাঁও/চহৰ ঃ
ডাকঘৰ ঃ উপ-ডাকঘৰ ঃ
জিলা ঃ ডাক সূচাংক ঃ

অনুগ্ৰহ কৰি এই সভাখনি অসম সাহিত্য সভাৰ অন্তৰ্ভূক্ত কৰি বাধিত কৰে যেন। ইতি,

বিনীত—
জিলা/শাখা/সাহিত্য সভা
সম্পাদক

কাৰ্যনিৰ্বাহক সমিতিৰ ............তাৰিখৰ ............অধিৱেশনৰ ............সিদ্ধান্তমৰ্মে স্বীকৃতি প্ৰদান কৰা হ'ল—

প্ৰধান সম্পাদক
অসম সাহিত্য সভা

## ওপৰঞ্চি ‘ছ’

**অসম সাহিত্য সভাৰ সভাপতি পদৰ নিৰ্বাচন**

(প্ৰত্যেক শাখা সভা আৰু জিলা সভাৰ লগতে আদৰণী সমিতিয়ে (দ্বিবাৰ্ষিক অধিৱেশনৰ) প্ৰতি ২ বছৰৰ মূৰত ৩৯ (ক) বিধি অনুসৰি ৩১ অক্টোবৰৰ আগতে নিৰ্বাচনী বিষয়াই স্বাক্ষৰ কৰি পঠিওৱা তলত দিয়া প্ৰস্তাৱৰ প্ৰ-পত্ৰৰ ভিত্তিত পূৰ্ণ কৰিব আৰু শাখা, জিলা আৰু আদৰণী সমিতিয়ে চীল-মোহৰ মাৰি নিৰ্বাচনী বিষয়াৰ নিৰ্দেশ অনুসৰি সংশ্লিষ্ট ডাক-বাকচলৈ পঠাব। অসম্পূৰ্ণ, চীল-মোহৰ আৰু সভাপতি আৰু সম্পাদকৰ চহী নথকা আৰু ৩১ অক্টোবৰৰ পিছত পোৱা প্ৰস্তাৱৰ প্ৰ-পত্ৰ বিবেচিত নহ’ব)

(বিঃ দ্ৰঃ লেখক লেখিকাগৰাকী স্থানীয় হ’ব লাগিব বুলি কোনো কথা নাই। এখন শাখা বা জিলা সভাই অসমৰ যিকোনো ঠাইৰ যিকোনো এগৰাকী প্ৰতিষ্ঠিত লেখক/লেখিকাৰ নাম প্ৰস্তাৱ কৰিব পাৰিব)।

**অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ**

১। প্ৰস্তাৱিত নাম ঃ

২। বয়স ঃ

৩। ঠিকনা ঃ

৪। কোন ধাৰাৰ লেখক/লেখিকাস্বৰূপে স্বীকৃত ঃ

..........................শাখা/জিলা/ সাহিত্য সভা/আদৰণী সমিতিৰ ................তাৰিখে বহা কাৰ্যনিৰ্বাহক সমিতি/সাধাৰণ সভা/প্ৰতিনিধি সভাৰ সিদ্ধান্তক্ৰমে উল্লিখিত নামটি প্ৰস্তাৱ কৰা হ’ল-

| | |
|---|---|
| সম্পাদক (সম্পূৰ্ণ নাম আৰু স্বাক্ষৰ) | সভাপতি (সম্পূৰ্ণ নাম আৰু স্বাক্ষৰ) |
| ......................শাখা/জিলা/সাহিত সভা /আদৰণী সমিতি | ......................শাখা/জিলা/ সাহিত্য সভা /আদৰণী সমিতি |
| তাৰিখ - | তাৰিখ - |
| চীল-মোহৰ - | চীল-মোহৰ - |

## ওপৰঞ্চি ‘জ’

**অসম সাহিত্য সভাৰ উপ-সভাপতি পদৰ নিৰ্বাচন**

(প্ৰত্যেক শাখা সভা আৰু জিলা সভাৰ লগতে আদৰণী সমিতিয়ে (দ্বিবাৰ্ষিক অধিৱেশনৰ) প্ৰতি ২ বছৰৰ মূৰে মূৰে ৪২ (২) বিধি অনুসৰি ৩১ অক্টোবৰৰ আগতে নিৰ্বাচনী বিষয়াই স্বাক্ষৰ কৰি পঠিওৱা তলত দিয়া প্ৰস্তাৱৰ প্ৰ-পত্ৰৰ ভিত্তিত পূৰ্ণ কৰিব আৰু শাখা, জিলা আৰু আদৰণী সমিতিয়ে চীল-মোহৰ মাৰি নিৰ্বাচনী বিষয়াৰ নিৰ্দেশ অনুসৰি সংশ্লিষ্ট ডাক-বাকচলৈ পঠাব। অসম্পূৰ্ণ, চীল-মোহৰ আৰু সভাপতি আৰু সম্পাদকৰ চহী নথকা আৰু ৩১ অক্টোবৰৰ পিছত পোৱা প্ৰস্তাৱৰ প্ৰ-পত্ৰ বিবেচিত নহ’ব)

(বিঃ দ্ৰঃ লেখক লেখিকাগৰাকী স্থানীয় হ’ব লাগিব বুলি কোনো কথা নাই। এখন শাখা বা জিলা সভাই অসমৰ যিকোনো ঠাইৰ যিকোনো এগৰাকী প্ৰতিষ্ঠিত লেখক/লেখিকাৰ নাম প্ৰস্তাৱ কৰিব পাৰিব।)

**অসম সাহিত্য সভাৰ উপ-সভাপতি পদৰ বাবে নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ**

১। প্ৰস্তাৱিত নাম ঃ

২। বয়স ঃ

৩। ঠিকনা ঃ

৪। কোন ধাৰাৰ লেখক/লেখিকাস্বৰূপে স্বীকৃত ঃ

.......................... শাখা/জিলা সাহিত্য সভা/আদৰণী সমিতিৰ ................তাৰিখে বহা কাৰ্যনিৰ্বাহক সমিতি/সাধাৰণ সভা/প্ৰতিনিধি সভাৰ সিদ্ধান্তক্ৰমে উল্লিখিত নামটি প্ৰস্তাৱ কৰা হ’ল।

| | |
|---|---|
| সম্পাদক (সম্পূৰ্ণ নাম আৰু স্বাক্ষৰ) | সভাপতি (সম্পূৰ্ণ নাম আৰু স্বাক্ষৰ) |
| ......................শাখা/জিলা/সাহিত সভা /আদৰণী সমিতি | ......................শাখা/জিলা/ সাহিত্য সভা /আদৰণী সমিতি |
| তাৰিখ - | তাৰিখ - |

চীল-মোহৰ -　　　　　　　　　　　　　　চীল-মোহৰ -

**ওপৰঞ্চি 'ঝ'**

**অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদৰ নিৰ্বাচন**

প্ৰত্যেক শাখা সভা আৰু জিলা সভাৰ লগতে আদৰণী সমিতিয়ে (দ্বিবাৰ্ষিক অধিৱেশনৰ) প্ৰতি ২ বছৰৰ মূৰত ৪২ (৩) (ক) বিধি অনুসৰি ৩১ অক্টোবৰৰ আগতে নিৰ্বাচনী বিষয়াই স্বাক্ষৰ কৰি পঠিওৱা তলত দিয়া প্ৰস্তাৱৰ প্ৰ-পত্ৰৰ ভিত্তিত পূৰ্ণ কৰিব আৰু শাখা, জিলা আৰু আদৰণী সমিতিয়ে চীল-মোহৰ মাৰি নিৰ্বাচনী বিষয়াৰ নিৰ্দেশ অনুসৰি সংশ্লিষ্ট ডাক-বাকচলৈ পঠাব। অসম্পূৰ্ণ, চীল-মোহৰ আৰু সভাপতি আৰু সম্পাদকৰ চহী নথকা আৰু ৩১ অক্টোবৰৰ পিছত পোৱা প্ৰস্তাৱৰ প্ৰ-পত্ৰ বিবেচিত নহ'ব)

(বিঃ দ্ৰঃ লেখক লেখিকাগৰাকী স্থানীয় হ'ব লাগিব বুলি কোনো কথা নাই। এখন শাখা বা জিলা সভাই অসমৰ যিকোনো ঠাইৰ যিকোনো এগৰাকী প্ৰতিষ্ঠিত লেখক/লেখিকাৰ নাম প্ৰস্তাৱ কৰিব পাৰিব।)

**অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদৰ বাবে নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ**

১। প্ৰস্তাৱিত নাম ঃ

২। বয়স ঃ

৩। ঠিকনা ঃ

৪। কোন ধাৰাৰ লেখক/লেখিকাস্বৰূপে স্বীকৃত ঃ

........................... শাখা/জিলা সাহিত্য সভা/আদৰণী সমিতিৰ .................তাৰিখে বহা কাৰ্যনিৰ্বাহক সমিতি/সাধাৰণ সভা/প্ৰতিনিধি সভাৰ সিদ্ধান্তক্ৰমে উল্লিখিত নামটি প্ৰস্তাৱ কৰা হ'ল।

সম্পাদক (সম্পূৰ্ণ নাম আৰু স্বাক্ষৰ)
......................শাখা/জিলা/সাহিত সভা
/আদৰণী সমিতি
তাৰিখ -
চীল-মোহৰ -

সভাপতি (সম্পূৰ্ণ নাম আৰু স্বাক্ষৰ)
......................শাখা/জিলা/ সাহিত্য সভা
/আদৰণী সমিতি
তাৰিখ -
চীল-মোহৰ -

## ওপৰঞ্চি ‘চ’ (অতিৰিক্ত)

## অসম সাহিত্য সভাৰ সাধাৰণ সভ্যৰ সভ্য ভৰ্তিৰ প্ৰ-পত্ৰ

| ক্ৰমিক নম্বৰ | সভ্যৰ সম্পূৰ্ণ নাম | সভ্যৰ স্বাক্ষৰ | ঠিকনা আৰু ডাকঘৰ | ভৰ্তি মাচুল | কোন খ্ৰীষ্টাব্দৰ বৰঙণি | পত্ৰিকাৰ বৰঙণি | কৰ্মচাৰীৰ সাহায্য পুঁজি | জাতীয় ন্যাস পুঁজিৰ বৰঙণি | আদায়ৰ তাৰিখ | মূল সভালৈ পঠিওৱা তাৰিখ | আদায় কৰোঁতাৰ চহী আৰু তাৰিখ | মূল সভাৰ ৰছিদৰ ক্ৰমাংক |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | টকা | | টকা | টকা | টকা | | | | |
| | | | | | | | | | | | | |

১৮৬০ খ্ৰীষ্টাব্দৰ ২১ নম্বৰ আইন অনুসৰি ১৯২৪ খ্ৰীষ্টাব্দৰ ৫ মে' তাৰিখে পঞ্জীয়নভুক্ত
হোৱা আৰু ১৯৩৯ শকৰ ১২ পুহ, ১৯১৭ খ্ৰীষ্টাব্দৰ ২৭ ডিচেম্বৰত স্থাপিত

# অসম সাহিত্য সভা

## অসম সাহিত্য সভাৰ উনসপ্ততিতম (শৰৎ চন্দ্ৰ সিংহ ক্ষেত্ৰ)
## চাপৰ অধিৱেশনৰ প্ৰতিনিধি সভাত সংশোধিত আৰু গৃহীত

# নিয়মাৱলী

চ[illegible]ন
যোৰহাট - ৭৮৫০০১
অসম

*মূল্য ঃ কুৰি টকা (শাখা সভা, জিলা সভা, স্বীকৃত সভা, প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকসকলে এখনকৈ বিনামূলীয়াকৈ পাব।*

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক **ড° প্ৰদীপ ভূঞাৰ** দ্বাৰা প্ৰকাশিত
আৰু গুৱাহাটীৰ **টাইমছ পাব্লিকেছনত** মুদ্ৰিত।